সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ১৬ সংখ্যা, ৮ বহাগ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 16 Date Of Publication - 21 April 2024 Rs.10.00/-

## ছমাহৰ ভিতৰত বঙালী হিন্দুৰ নাগৰিকত্ব সমস্যা সমাধানঃ ড° হিমন্ত বিশ্ব শৰ্মা

ৰঙিলী বাৰ্ত্তাসেৱা- বৰাক উপত্যকাত শিলচৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যৰ সমৰ্থনত ধলাই, বৰখলা আৰু কৰিমগঞ্জ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কৃপানাথ মাল্লাৰ সমৰ্থনত পাথাৰকান্দি আৰু উত্তৰ কৰিমগঞ্জত চাৰিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে হাইলাকান্দিত এক বিশাল ৰোড শ্ব'ত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। নিৰ্বাচনী প্ৰচাৰ সভাকেইখনত মুখ্যমন্ত্ৰীগৰাকীয়ে অহা ছয়মাহৰ ভিতৰত বঙালী হিন্দুৰ নাগৰিকত্ব, বিদেশী ট্ৰিবুনেলৰ জাননী, ডি ভোটাৰ ইছ্যুৰ সমাধান কৰা হ'ব বুলি প্ৰকাশ কৰে। সেইদৰে অহা ২০২৬ চনৰ পূৰ্বে বৰাক উপত্যকাত মিনি সচিবালয়ৰ কাম সম্পন্ন কৰাৰো প্ৰতিশ্ৰুতি দিয়ে। একেদৰে বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লক্ষ্যৰে শিলচৰৰ পৰা হাফলং হৈ গুৱাহাটীলৈ নিৰ্মাণকাৰ্য চলাই থকা ইষ্ট-ৱেষ্ট কৰিড'ৰৰ কাম ২০২৬ চনৰ আগতে সম্পূৰ্ণ কৰা হ'ব বুলি প্ৰকাশ কৰে। ধলাই সমষ্টিৰ বি এন এম পি স্কুল খেলপথাৰত আয়োজিত বিশাল নিৰ্বাচনী সমাৱেশখনত ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অহা ২৬ এপ্ৰিলত লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত শিলচৰ সমষ্টিৰ পৰা পৰিমল শুক্লবৈদ্যক বিপুল ভোটত জয়ী কৰাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তৃতীয়বাৰৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সবল নেতৃত্বৰে ক'ভিড মহামাৰীৰ সময়ছোৱাত জনসাধাৰণক ভেকচিন প্ৰদান কৰি অসংখ্যজনৰ জীৱন ৰক্ষা

( চাৰি পৃষ্ঠাত চাওক)



## কংগ্ৰেছ নেতা ৰাহুল গান্ধীক কটাক্ষ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে ক্ষুৰধাৰ মন্তব্য আগবঢ়াইছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। মহাৰাষ্ট্ৰৰ নানডেদত প্ৰচাৰ চলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাহুল গান্ধীক তীব্ৰ কটাক্ষ কৰি কয়- 'কংগ্ৰেছৰ চাহাবজাদাই আমেথি সমষ্টিত পৰাজিত হোৱাৰ পাছত কেৰালাৰ ৱায়ানা সমষ্টিও হেৰুৱাবলগীয়া হ'ব। গতিকে এটা নিৰাপদ সমষ্টি নিজৰ বাবে ৰাহুলে বিচৰা উচিত।



' মহাৰাষ্ট্ৰৰ নানডেদ আৰু হিংগোলি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ লয় প্ৰধানমন্ত্ৰীগৰাকীয়ে। (দহ পৃষ্ঠাত চাওক)

## ঘোষণা হ'ল মেট্ৰিক পৰীক্ষাৰ ফলাফল



ৰঙিলী বাৰ্ত্তাসেৱা- ঘোষণা হ'ল মেট্ৰিক পৰীক্ষাৰ ফলাফল। পুৱা ১০.৩০ বজাৰ লগে লগে অসম মাধ্যমিক শিক্ষা পৰিষদে ঘোষণা কৰিলে পৰীক্ষাৰ ফলাফল। অসম মাধ্যমিক শিক্ষা পৰিষদে এইবাৰ পূৰ্বৰ শীৰ্ষৰ ১০টা স্থানৰ পৰিৱৰ্তে ৩ টা স্থানহে ঘোষণা কৰিছে। শীৰ্ষ তিনিটা স্থানত আছে এইবাৰ পাঁচজনকৈ শিক্ষাৰ্থী। ২০২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বাধিক ৫৯৩ নম্বৰ লাভেৰে প্ৰথম স্থান দখল কৰিছে যোৰহাটৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অনুৰাগ দলৈয়ে। ৫৯০ নম্বৰ লাভেৰে দ্বিতীয় স্থান লাভ কৰিছে বিশ্বনাথৰ শংকৰদেৱ

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান...

## ৰিজাল্ট বনাম ভৱিষ্যত

**দেৱাশীষ গোস্বামী**

ইতিমধ্যে সকলোৰে শিক্ষা জীৱনৰ প্ৰথম দেওনাৰ 'ৰিজাল্ট' কালি প্ৰকাশ পালে। ছাত্ৰ-ছাত্ৰী সকলে কৰা কষ্টৰ ফল বৰ্তমান তেওঁলোকৰ হাতে হাতে। ভৱিষ্যত গঢ়াৰ প্ৰথম দেওনা সফলতাৰে পাৰ হোৱাৰ বাবে প্ৰথমে তেওঁলোক সকলোলৈকে আন্তৰিক অভিনন্দন। এতিয়া মূল কথা হ'ল যে তেওঁলোকে কি বিভাগত নাম ভৰ্তি কৰিব, ভৱিষ্যত 'কেৰিয়াৰ' গঢ়াৰ দিশত আগুৱাই যাওঁতে পৰৱৰ্তী পদক্ষেপ কি হ'বৰ দৰে অতি বেছি গুৰুত্বপূৰ্ণ বিষয় সমূহ। ছাত্ৰ-ছাত্ৰী সকলৰ এটা ভুল পদক্ষেপৰ অৰ্থ এটা অনিশ্চিত ভৱিষ্যত। শিক্ষা জীৱন সফলতাৰে সমাপ্ত কৰি পিছৰ পৰ্য্যায়ত নিজৰ লগতে পৰিয়ালৰ ভাত মুঠি মোকলোৱাৰ বাবে নিজকে উপযুক্ত হিচাপে গঢ়ি তুলিবলৈ এতিয়াই এটা সঠিক সিদ্ধান্ত নিত্যান্তই প্ৰয়োজনীয়।

আমি আমাৰ কাকতৰ সম্পাদকীয় শিতানত প্ৰায়েই চেষ্টা কৰি আহিছো যাতে আমাৰ চাৰিওফালৰ উশৃংখল, অপ্ৰীতিকৰ পৰিবেশ নাইকিয়া হৈ মানৱীয় প্ৰমূল্যবোধে আগস্থান পায়। যদি আমাৰ মাজত মানৱতা নাই, ভৱিষ্যত প্ৰজন্মৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ চেষ্টা তেনেই বৃথা। মৰমৰ ছাত্ৰ-ছাত্ৰী সকল, তোমালোকেই দেশৰ ভৱিষ্যত, তোমালোকেই তোমালোকৰ প্ৰত্যেকটো পৰিয়ালৰ লগতে আমাৰ দেশৰ ধ্বজ্বাবাহক। তোমালোকে ভৱিষ্যতে নিজকে যি হিচাপেই গঢ় নিদিয়া কিয়, প্ৰত্যেকটো পদক্ষেপত প্ৰধানত এটা কথাক সদায় আগস্থান দিবা যে প্ৰথমতে নিজকে এখন দেশৰ সু-নাগৰিক হিচাপে গঢ় দিবা। এটা পৰিয়াল তথা এখন দেশৰ ভৱিষ্যত পৰিয়ালটোৰ তথা দেশখনৰ সু-নাগৰিক সকলৰ ওপৰত ন্যস্ত।

ৰিজাল্ট হ'ল কেৱল শিক্ষাৰ মাপকাঠি। পৰীক্ষাত সফলতা- বিফলতা থাকিবই। বিফল হোৱা সকলে সফল হোৱাৰ বাবে পুনৰ চেষ্টা কেতিয়াও এৰি দিব নালাগে, কাৰণ চেষ্টাৰ অসাধ্য একো নাই। বিফলতাক চেৰাই আগুৱাই গৈ এজন সফল তথা সু-নাগৰিক হোৱাৰ অলেখ উদাহৰণ আমাৰ সন্মুখত।

মানবীয় বিভিন্ন গুণ সমূহৰ সমাহাৰতহে এজন সু-নাগৰিকে গঢ় লয়। আমি সকলোবোৰ একো একোজন তেজ মঙহেৰে গঢ়া মানুহ, যন্ত্ৰ নহয় আৰু মানুহ হিচাপে মানবীয় গুণ সমূহ আয়ত্ব কৰি নিজকে জীৱনৰ বাটত আগুৱাই নিবই লাগিব।

পুনৰ আন্তৰিক অভিনন্দন তথা জীৱনৰ কণ্টকময় বাটত সফলতাৰে খোজ দি নিজকে একো একোজন সু-নাগৰিক, প্ৰকৃত নাগৰিক হিচাপে গঢ়ি তুলিবলৈ অযুত অলেখ শুভেচ্ছা জনালোঁ।

# বিশাল গণসমাৰেশৰে কোকৰাঝাৰত মনোনয়ন দাখিল তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ



ৰঙিলী বাৰ্তাসেৱা- প্ৰায় পাঁচ সহস্ৰাধিক সমৰ্থনৰ সৈতে শোভাযাত্ৰা কৰি কোকৰাঝাৰ লোকসভা সমষ্টিৰ তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী শ্ৰী গৌৰীশংকৰ শৰণীয়াই মনোনয়ন পত্ৰ দাখিল কৰে। কোকৰাঝাৰ লোকসভা সমষ্টি তথা বি.টি.আৰ.ৰ সৰ্বাঙ্গীন বিকাশৰ সংকল্পৰে তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰা আৰু অন্যান্য দলীয় নেতৃবৃন্দক লগত লৈ মনোনয়ন পত্ৰ দাখিল কৰে প্ৰাৰ্থী গৌৰী শংকৰ শৰণীয়াই। প্ৰাথী গৌৰী শংকৰ শৰণীয়াৰ মনোনয়ন পত্ৰ দাখিল কৰি অসম তৃণমূল কংগ্ৰেছৰ

*(দহ পৃষ্ঠাত চাওক)*

# ডিব্ৰুগড়বাসী ৰাইজক ধন্যবাদ জাতীয় পৰিষদৰ সভাপতি-সম্পাদকৰ



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত প্ৰতিগৰাকী ভোটাৰক ধন্যবাদ জনাইছে অসম জাতীয় পৰিষদ দলৰ সভাপতি তথা ডিব্ৰুগড় লোকসভা সমষ্টিত দলটোৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই। এক প্ৰেছ বিজ্ঞপ্তিযোগে সভাপতি আৰু সম্পাদক দুগৰাকীয়ে কয় যে গণতন্ত্ৰৰ এই সৰ্ববৃহৎ উৎসৱত অংশগ্ৰহণ কৰি ৰাইজে দেশ আৰু দেশৰ সংবিধানৰ প্ৰতি পূৰ্ণ আস্থা প্ৰকাশেৰে নিজৰ দেশপ্ৰেমৰ চানেকি দাঙি ধৰিলে। আনহাতে জাতীয় পৰিষদক ভোটদান কৰা প্ৰতিগৰাকী ভোটাৰ, দলৰ কৰ্মী-সমৰ্থক-শুভাকাংক্ষী আৰু মিত্ৰ দলসমূহৰ নেতা-সদস্য- সমৰ্থকসকলক ধন্যবাদ জনাই গগৈ আৰু ভূঞাই কয় যে প্ৰচাৰৰ যাত্ৰাটোত ধনবলৰ অভাৱ আৰু প্ৰতিকূল আন্তঃগাঁথনি স্বত্বেও দলৰ ওপৰত থকা স্বাভিমানী জনতাৰ বিশ্বাস আৰু আশীৰ্বাদে দলটোক ইমান কঠিন যুঁজ এখন চলাই নিয়াৰ বাবে শক্তি যোগান ধৰিলে। গগৈ আৰু ভূঞাই আৰু কয় যে আমাক বহুতে হাঁহিছিল যে এজন প্ৰাক্তন মুখ্যমন্ত্ৰী, এতিয়াৰ কেন্দ্ৰীয় মন্ত্ৰীৰ সৈতে আমি যুজিম কেনেকৈ ! বিশাল ধনৰ ভাণ্ডাৰ লৈ ঘূৰি ফুৰা দলটোৰ বিপক্ষে আমি থিয় হ'ম কেনেকৈ। কিন্তু ৰাইজৰ মৰম-আশীৰ্বাদে সেই কাম সফল কৰি তুলিলে। আমাৰ লগত প্ৰচাৰলৈ যোৱা, গাঁৱে চহৰে কাষে কাষে থাকি সাহস দিয়া অনেকজনক হয়তো আমি আন দলৰ দৰে আপ্যায়ন কৰিব পৰা নাই, হয়তো ভালকৈ মাত এষাৰো দিব পৰা নাই। কিন্তু এইখন জাতীয় সংগ্ৰামত তেওঁলোকৰ নিস্বৰ্ত সমৰ্থনে প্ৰমাণ কৰিছে যে সকলো সম্প্ৰদায় আৰু জনগোষ্ঠীক লৈ বৃহত্তৰ অসমীয়া জাতিৰ স্বাভিমান পুনৰুদ্ধাৰ কৰাৰ জাতীয় সংগ্ৰামখন বিজেপিয়ে অপপ্ৰচাৰ কৰাৰ দৰে মুঠেই দুৰ্বল হোৱা নাই, বৰং শক্তিশালীহে হৈছে।

# লোকসভাৰ প্ৰথম পৰ্যায়ৰ



ৰঙিলী বাৰ্তাসেৱা- পুৱাৰে পৰা ১০ নং কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত ১০৫ নং বোকাখাত বিধানসভা সমষ্টিৰ ভোট গ্ৰহণ আৰম্ভ হৈছে। এই ভোটগ্ৰহণ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে প্ৰতিটো কেন্দ্ৰত যোৱা কালিয়েই গৈ উপস্থিত হৈছিল ভোটগ্ৰহণকাৰীৰ দল। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে পুৱাৰে পৰা সমষ্টিটোৰ প্ৰায়বোৰ কেন্দ্ৰতেই ভোটাৰৰ উৎসাহ দেখিবলৈ পোৱা গৈছে। পুৱা ১১ বজালৈকে বোকাখাতত ভোটগ্ৰহণৰ হাৰ হৈছে ৩৩ শতাংশ। ইফালে বোকাখাতৰ ১৫১ নং বিহৰা মিকিৰচাং প্ৰাথমিক বিদ্যালয় ভোট গ্ৰহণ কেন্দ্ৰত ই ভি এম মেচিনৰ বিজুতিৰ বাবে প্ৰায় দুঘণ্টা সময় ভোটদান প্ৰক্ৰিয়া স্থগিত ৰাখিব লগীয়া হয়। একেদৰে ই ভি এমৰ বিজুতিৰ বাবে নুমলীগড়ৰ ১৩১ নং ধলা কছাৰী প্ৰাথমিক বিদ্যালয়ৰ ভোট গ্ৰহণ কেন্দ্ৰতো প্ৰায় ১ ঘণ্টা সময় ধৰি বন্ধ হৈ থাকে ভোটগ্ৰহণ প্ৰক্ৰিয়া। পিচত নতুন ই ভি এম যোগান ধৰিছে ভোট গ্ৰহণ আৰম্ভ কৰা হয়। উল্লেখ্য যে ১০ নং কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত ১০৫ নং বোকাখাত বিধানসভা সমষ্টিত আছে মুঠ ১৮৭ টা ভোট গ্ৰহণ কেন্দ্ৰ। প্ৰতি কেন্দ্ৰত এজনকৈ প্ৰিজাইডিং, আৰু তিনি জনকৈ প'লিং বিষয়া নিয়োগ কৰা হৈছে। ৰিজাৰ্ভত ৰখা হৈছে ২০ শতাংশ দল। ইয়াৰে ১৫ টা ভোটগ্ৰহণ কেন্দ্ৰ পৰিচালনা কৰিছে কেৱল মহিলা বিষয়াই। দুটা আদৰ্শ কেন্দ্ৰও স্থাপন কৰা হৈছে। ১০৫ বোকাখাত বিধান সভা সমষ্টিৰ ১,৫৮,৪২০ গৰাকী ভোটাৰে আজি এই কেন্দ্ৰ বোৰত ভোটাদানৰ সুবিধা লাভ কৰিব। ইয়াৰে ৭৭,৮৩০ গৰাকী পুৰুষ, ৮০,৫৮৮ গৰাকী মহিলা, আৰু দুগৰাকী আছে তৃতীয় লিঙ্গৰ ভোটাৰ। ইয়াৰ ভিতৰত আছে ৩৪৪৫ গৰাকী নতুন ভোটাৰ। পুৱা ৯ বাজি ৩০ মিনিটত কেবিনেট মন্ত্ৰী অতুল বৰাদেৱেও জ্যোতিপুৰ প্ৰাথমিক বিদ্যালয়ত ভোটদান সাব্যস্ত কৰে।

# বোন্দাত ৰঙালী বিহু সন্মিলনৰ সফল সামৰণি 'বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা' মুখপত্ৰ "জেতুকা" উন্মোচন

ৰঙিলী বাৰ্তাসেৱা- মহানগৰীৰ নাৰেংগীৰ সমীপৰ "বোন্দা আঞ্চলিক জনজাতি ক্ৰীড়া আৰু সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ খেলপথাৰ" প্ৰাংগণত বৰ্ণিল কাৰ্যসূচীৰে আয়োজিত "৪০ সংখ্যক বোন্দা আঞ্চলিক ৰঙালী বিহু সন্মিলন" ৰ সফলতাৰে সামৰণি পৰে। ১৫ এপ্ৰিলৰ পুৱা ৯ বজাত বিহু পতাকা উত্তোলনেৰে দুদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বিহু সন্মিলনৰ সভাপতি কুলেন চন্দ্ৰ নাথে। ইয়াৰ পিছতে স্মৃতি-তৰ্পণ কৰে সন্মিলনৰ কাৰ্যকৰী সভাপতি ৰিপেন টাৰো, সম্পাদক জিতেন ৰাভা আদিয়ে। ১০ বজাত বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে সমাজকৰ্মী পৰিমল চৌধুৰীয়ে। শোভাযাত্ৰাত বিহু নৃত্য, জেং বিহু, থিয় নাম, বড়ো, নেপালী, তিৱা, হাজং, কাৰ্বি আদি কৃষ্টি দলে অংশ লয়। ইয়াৰ পিছতে বৃহত্তৰ অঞ্চলটোৰ সৰবৰহী ব্যক্তি চাণ্ডিৰাম পায়েং, আনন্দ বড়ো, ইয়েম বাহাদুৰ চেত্ৰী, ভানাৰাম লালুং প্ৰমুখ্যে ভালেমান নাগৰিকক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। ১১.৩০ বজাত চিত্ৰাংকণ আৰু ৰচনা প্ৰতিযোগিতাৰ অন্তত দিনৰ ১২ বজাত ক্ৰীড়া প্ৰতিযোগিতা উদ্বোধন কৰে জেষ্ঠ ক্ৰীড়া সাংবাদিক সুবোধ মল্ল বৰুৱাই। বিয়লি ২ বজাত চেমনীয়া চ'ৰা (৭বছৰ উৰ্ধৰ) উদ্বোধন কৰে বিহু সম্ৰাজ্ঞী জোনটি ভৰালীয়ে। সন্ধ্যা ৬.৩০ বজাত বন্তি প্ৰজ্বলন কৰে বোন্দা আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক পংকজ দাসে। এই মঞ্চতে কবি, শিক্ষক প্ৰশান্ত গগৈ সম্পাদিত বাৰ্ষিক মুখপত্ৰ "জেতুকা" উন্মোচন কৰে সমাজকৰ্মী দিলীপ চন্দ্ৰ কলিতাই। মিন্টু দাসে আঁত ধৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য তথা জেতুকাৰ সভাপতি দীপক শৰ্মাইও বক্তব্য দাঙি ধৰে। ইয়াৰ পিছতে জনগোষ্ঠীয় কৃষ্টি দল




আৰু জেং বিহু প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি দিনৰ ১১ বজাত চেমনীয়া চ'ৰা, বিয়লি ৪ বজাত মৌ কুঁৱৰী আৰু বৰ বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধ্যা ৭ বজাত সাংস্কৃতিক মঞ্চ মুকলি অনুষ্ঠানত সমাজকৰ্মী অজয় পোদ্দাৰ, পিউজ গ্ৰুপৰ ৰূপক শৰ্মা, সাহিত্যিক চাণ্ডিৰাম পায়েং, সমাজকৰ্মী ফণীধৰ দাস, হৰিৰাম দাস আৰু অজিত কুমাৰ মালাকৰে অংশ লয়। নিশা ৮ বজাৰ পৰা বিচিত্ৰ সাংস্কৃতিক অনুষ্ঠানত কৃষ্ণমণি চুতীয়া, নয়ন নিত্যম, কৃষ্টি কাশ্যপ প্ৰমুখ্যে ভালেমান শিল্পীয়ে অংশ লয়।

# কেমেৰাৰ সন্মুখতে ধন বিলোৱা তপন গগৈৰ প্ৰাৰ্থিত্ব নাকচৰ দাবী আম আদমি পাৰ্টীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাট লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তপন গগৈক কাষত বহোৱাই লৈ ডিব্ৰুগড়ৰ এজন ব্যৱসায়ীয়ে গাড়ীৰ ভিতৰৰ পৰা ৰাইজক ধন বিলোৱা কাৰ্যক আম আদমি পাৰ্টীয়ে গৰিহণা দিয়ে। সমগ্ৰ দেশতে নিৰ্বাচনী আচৰণ-বিধি বলবৎ হৈ থকাৰ মাজতে আৰু ভোটগ্ৰহণলৈ মাত্ৰ কেইটামান দিন থকাৰ সময়ত নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা অংগুষ্ঠ দেখুৱাইয়ে এনেদৰে ধন বিতৰণ কৰা ঘটনা সুস্থ গণতন্ত্ৰৰ পৰিপন্থী আৰু ইয়াৰ বিৰুদ্ধে আম আদমি পাৰ্টীয়ে ইতিমধ্যে নিৰ্বাচন আয়োগৰ ওচৰত অভিযোগ দাখিল কৰিছে। আম আদমি পাৰ্টীৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত আয়োজিত এক সংবাদমেলযোগে এই কথা প্ৰকাশ কৰে আপ, অসমৰ নেতা হেমন্ত ফুকনে। তেওঁ কয় যে বিজেপিৰ প্ৰাৰ্থী তপন গগৈ কাষত বহি থকা অৱস্থাত তেওঁৰ সতীৰ্থ এজনক এনে অনৈতিক কাম কৰিবলৈ দিয়া কথাই তপন গগৈকে জগৰীয়া কৰে আৰু সেইবাবে (দহ পৃষ্ঠাত চাওক)

# অসম সাহিত্য সভাৰ স্বীকৃতিপ্ৰাপ্ত শাখা ৰামধেনু সাহিত্য সভাৰ নিজৰদিন পালন

ৰঙিলী বাৰ্ত্তাসেৱা- অসম সাহিত্য সভাৰ উদ্যোগত ৰামধেনু শাখা সাহিত্য সভাৰ সহযোগত ১৪ এপ্ৰিল, পহিলা ব'হাগত সাহিত্য সভাৰ নিজৰ দিন উপলক্ষে ৬০ ৰ উৰ্ধ্বৰ পাঁচগৰাকী বয়োজ্যেষ্ঠ ব্যক্তিক ঘৰে ঘৰে গৈ ওলগনি পত্ৰ আৰু একোখন গামোচাৰে আদৰণি জনোৱাৰ লগতে তেওঁলোকৰ দীৰ্ঘায়ু কামনা কৰা হয়। ৰামধেনু সাহিত্য সভাই পহিলা ব'হাগৰ ওলগনি জনাই ক্ৰমে ফটাশিল আমবাৰী বাথৌ মন্দিৰ নিৱাসী, বিশিষ্ট সমাজ সেৱক তথা অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া গুৰু প্ৰসাদ তালুকদাৰ, সমাজসেৱক তথা বাথৌ মন্দিৰ নিৱাসী উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° অজিত চন্দ্ৰ ডেকা, বিশিষ্ট অধিবক্তা প্ৰেম শৰ্মা, বিশিষ্ট চিকিৎসক ডাঃ ৰমেন দাস, বিশিষ্ট সামাজসেৱিকা বাসন্তী কলিতাক। অসম সাহিত্য সভাৰ হৈ ৰামধেনু সাহিত্য সভাৰ সভাপতি তথা মহানগৰ সাহিত্য সভাৰ সাংগঠনিক সম্পাদক ধনজিৎ তালুকদাৰ, সম্পাদক ৰুবি কলিতা, পত্ৰিকা সম্পাদক সোনাধৰ ডেকাই



ঘৰে ঘৰে গৈ অসমীয়া নৱবৰ্ষৰ ওলগনি জনায়।

# ধৰ্মীয় মেৰুকৰণত বিজেপি চৰকাৰ ব্যৰ্থ



ৰঙিলী বাৰ্ত্তাসেৱা- খিলঞ্জীয়া অসমীয়া মুছলমান উন্নয়ন পৰিষদ অসম, বাঘ হাজৰিকা অসম, গৰিয়া মৰিয়া দেশী জনগোষ্ঠীয় পৰিষদ অসম, আৰু উমৈহতীয়া মঞ্চ অসম চিভিল চোছাইতি সংগঠনে যৌথভাৱে গুৱাহাটী প্ৰেছ ক্লাবত এখন সংবাদ মেল আয়োজন কৰে। উক্ত সংবাদ মেলত তেওঁলোকে আগন্তুক লোকসভা নিৰ্বাচন সন্দৰ্ভত তেওঁলোকৰ ভূমিকাৰ বিষয়ে সাংবাদিকৰ আগত মত ব্যক্ত কৰে। তেওঁলোকে কয় যে নাগৰিকত্ব সংশোধনী আইন খন নিৰ্বাচনৰ আগমুহূৰ্তত ৰাজ্যত বলবৎ কৰি পুনৰ অসমীয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। ইয়াৰ বিৰুদ্ধে সকলো খিলঞ্জীয়া জনগোষ্ঠী ক্ষুব্ধ হৈ পৰিছে। সংবিধানৰ মৌলিক চৰিত্ৰৰ পৰিবৰ্তন সাধিব বুলি তেওঁলোকে উদ্বেগ প্ৰকাশ কৰে। খিলঞ্জীয়া মুছলমানৰ জৰীপ কৰা হ'ব বুলিও ঘোষণা কৰি নিৰ্বাচনী আভুৱা ভাৰিলে। বিজেপি চৰকাৰৰ শাসন কালত এখন বাজেটটো খিলঞ্জীয়া মুছলমানৰ বাবে কোনো ধৰণৰ পুঁজি আবন্টন নকৰিলে। অবৈধ নাগৰিক, বাংলাদেশী আদি শব্দ ব্যৱহাৰ কৰি জনসংখ্যা সম্পৰ্কে বিকৃত তথ্য প্ৰকাশ কৰি কেইজন মান (দহ পৃষ্ঠাত চাওক)

# শিলচৰত বিজেপিক উৎখাত কৰাৰ হুংকাৰ মমতা বেনাৰ্জীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- সমগ্ৰ দেশতেই এতিয়া লোকসভা নিৰ্বাচনৰ বতাহ। লোকসভা নিৰ্বাচনৰ প্ৰাক্কক্ষণত শিলচৰত উপস্থিত হয় সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ সভানেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী। শিলচৰ টাউন ক্লাৱ খেলপথাৰত এক বিশাল ৰাজহুৱা সভা সম্বোধন কৰে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী গৰাকীয়ে। সভাত নিজৰ ভাষণত তীক্ষ্ণ ভাষাৰে সমালোচনা কৰে বিজেপিক লগতে আগন্তুক লোকসভা নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ হকে ভোট প্ৰদানৰ আহ্বান জনাই নেত্ৰীগৰাকীয়ে। তেওঁ নিজৰ ভাষনত কয় যে, "বিজেপিয়ে দেশ ভাঙিব জানে, বিজেপিয়ে দেশ জ্বলাব জানে। বিজেপিয়ে ভাৰতৰ গণতন্ত্ৰক লজ্জিত কৰিছে, সমগ্ৰ ভাৰতক জেললৈ ৰূপান্তৰ কৰিছে। আজি কোনো লোকে স্বাধীনভাৱে কথা কৰ নোৱাৰে, কোনোও ভাল কাম কৰিব নোৱাৰে, কলেই প্ৰশাসনৰ জৰিয়তে জেলত ভৰাই থয়। মণিপুৰ জ্বলি শেষ হ'ল কিন্তু বিজেপিৰ এটু পাল চকু পানী নোলাল। বিজেপিয়ে ক্ষমতাৰ স্বাৰ্থত মানুহৰ মাজত ভেদাভেদ সৃষ্টি কৰি দেশ ধ্বংস কৰিব বিচাৰিছে। এই লোকসভা নিৰ্বাচন সাধাৰণ নিৰ্বাচন নহয়, এই নিৰ্বাচন দেশ, গণতন্ত্ৰ, স্বাধীনতা ৰক্ষাৰ যুঁজ। এই যুঁজ কেৱল বিজেপিৰ বিৰুদ্ধেই নহয়, এই যুঁজ স্বৈৰাচাৰী, অগণতান্ত্ৰিক শাসনৰ বিৰুদ্ধে।" উক্ত সভাত অসম তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰা, সাংসদ সুস্মিতা দেৱ আৰু শিলচৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী ৰাধেশ্যাম বিশ্বাসেও অংশগ্ৰহণ কৰে।

# অসম নাগৰিক সমাজৰ সংবাদ মেল



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাবত অসম নাগৰিক সমাজৰ সভাপতি অজিৎ কুমাৰ ভুঞা, ভাৰত জোড়ো অভিযান অসমৰ আহ্বায়ক পৰেশ মালাকাৰ আৰু বিশিষ্ট অধিবক্তা শান্তনু বৰঠাকুৰে এখন সংবাদ মেল অনুষ্ঠিত কৰে। উক্ত সংবাদ মেলত তেওঁলোকে কয় যে প্ৰথম পৰ্য্যায়ত উজনি অসমৰ প্ৰায় প্ৰতিখন জিলাতে তেওঁলোকে নাগৰিক সভা পাতি (এক প্ৰকাৰ নিৰ্বাচনী প্ৰচাৰ) ৰাইজক সজাগ হ'বৰ বাবে আৰু অসমৰ জলন্ত সমস্যা বোৰ চালি জাৰি আগন্তুক লোকসভা নিৰ্বাচনত ভালদৰে এবাৰ ভাবি চাই ভোট প্ৰদান কৰাৰ বাবে আহ্বান জনায়। প্ৰাৰ্থী বাচনিত যাতে ভুল নকৰে। যোগ্য প্ৰাৰ্থী বাছনি কৰি ভোট প্ৰদান কৰে। আনহাতে এই চৰকাৰৰ দিনত মণিপুৰত মহিলাক নাঙঠ কৰি ৰাস্তাত ঘুৰাই ফুৰালে। কিমান মহিলা, ছোৱালীক ধৰ্ষণ কৰিলে। কিমান ডেকা ল'ৰা স্কুলীয়া ছাত্ৰক হত্যা কৰিলে। কিন্তু এই সন্দৰ্ভত মোদীয়ে এবাৰ মাত নমাতিলে, আনকি তেওঁ এবাৰো মণিপুৰত ভৰি নিদিলে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে ৰাজ্যক কোঙা কৰি পেলাইছে। অথচ এই বিষয়ত ৰাজ্য চৰকাৰৰ কানসাৰ নাই। বিজেপি চৰকাৰৰ শাসন কালৰ আগৰ প্ৰতিশ্ৰুতিৰ বিষয়তো তেওঁলোক সৰৱ হোৱা দেখা যায়। যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ বিষয়ত কয় যে তেওঁ সংসদত বীৰ দৰ্পে অসমৰ তথা ভাৰতৰ জলন্ত সমস্যাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছিল আৰু বিজেপি চৰকাৰৰ অপ শাসনৰ বিষয়ে চকু মুকলি কৰিবলৈ সক্ষম হৈছিল। লুৰিণজ্যোতি গগৈৰ বিষয়ে কয় যে কা আন্দোলনৰ সময়ত বলিষ্ঠ নেতৃত্ব দিছিল। গতিকে এজনক বিজেপিৰ ব্যভিচাৰৰ বাবে আৰু আন জনক জাতীয় পৰিচয়ৰ বাবে ভোট প্ৰদান কৰিবলৈ উজনিৰ ৰাইজক আহ্বান জনায়।

# ডিব্ৰুগড় আৰু শোণিতপুৰত আপৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান ডাঃ ভবেন চৌধুৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিত আম আদমি পাৰ্টীৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায় দলটোৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে। দলীয় কাৰ্যালয়ত আয়োজন কৰা এক সংবাদমেলত ডাঃ চৌধুৰীয়ে কয় যে আপে লোকসভা নিৰ্বাচনৰ বাবে ইতিমধ্যে নিৰ্বাচনী প্ৰতিশ্ৰুতি মুকলি কৰিছে আৰু অসমৰ প্ৰতিটো জ্বলন্ত সমস্যা সংসদৰ মজিয়াত দৃঢ়ভাৱে উত্থাপন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে অসমক গুৰুত্ব প্ৰদান কৰি অসমৰ চৰকাৰীখণ্ডৰ শিক্ষা, স্বাস্থ্যসেৱা, নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপন, বান ব্যৱস্থাপনা, চাহ শ্ৰমিকৰ মজুৰিকে ধৰি ভূমি পট্টা প্ৰদান, কেঁচা চাহপাতৰপৰ্ন্যতম সমৰ্থন মূল নিৰ্ধাৰণ, ইত্যাদি সমস্যাসমূহ পূৰণৰ গেৰাণ্টী প্ৰদান কৰিছে। তদুপৰি নাগৰিকত্ব সংশোধনী আইন (চমুকৈ 'কা') ই অসমৰ ভাষা-সংস্কৃতিলৈ ভাবুকি কঢ়িয়াই আনিব বুলি বিজেপি চৰকাৰক সকীয়াই দিয়াৰ লগতে অৰবিন্দ কেজৰিৱালে সদনৰ বাহিৰে-ভিতৰে এই আইনৰ বিৰোধ কৰি যাব বুলি অসমবাসীক নিশ্চিতি প্ৰদান কৰিছে। লোকসভা নিৰ্বাচনৰ আম আদমি পাৰ্টীৰ দুই প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌণ্ডিন্যৰ হৈ ইতিমধ্যে প্ৰচাৰ চলাই গৈছে আপৰ নেত্ৰী তথা দিল্লীৰ শিক্ষা মন্ত্ৰী আতিশী, পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান ডাঙৰীয়াৰ লগতে কেইবাগৰাকীও নেতাই। আম আদমি পাৰ্টীৰ প্ৰতি ডিব্ৰুগড়বাসী তথা শোণিতপুৰবাসীৰ মৰম দেখি ৰাষ্ট্ৰীয় নেতাকেইজন আপ্লুত হৈছে আৰু অসমবাসীক তেওঁলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছে। ডাঃ চৌধুৰীয়ে কয় যে তেওঁৰ জৰিয়তে ৰাজ্যবাসীলৈ এই বাৰ্তা প্ৰেৰণ কৰিবলৈ ৰাষ্ট্ৰীয় নেতা দুগৰাকীয়ে নিৰ্দেশ দিছে। অসমৰ জনতাৰ অভুতপূৰ্ব সঁহাৰি দেখি ২০২৬ত অসমত আম আদমি পাৰ্টীৰ চৰকাৰ হ'ব বুলি তেওঁলোকে ঘোষণা কৰি থৈ গৈছে। এই নিৰ্বাচনত অসমৰ পৰা আপৰ দুই প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌণ্ডিন্য বিজয়ী হৈ গ'লে অসমবাসীয়ে অৰবিন্দ কেজৰিৱালৰ দুই যুদ্ধা লাভ কৰিব। তেওঁলোকে অসমৰ সমস্যাসমূহৰ ক্ষেত্ৰত দৃঢ়ভাৱে মাত মাতি যাব বিজেপিৰ সংকল্প-পত্ৰ সন্দৰ্ভত তেওঁ কয় যে আম আদমি পাৰ্টীৰ পৰা বিজেপিয়ে 'গেৰাণ্টী' শব্দটো চুৰি কৰি ব্যৱহাৰ কৰিলেও তেওঁলোক যে মিথ্যাচাৰী দল, সি কথা জনতাই ইতিমধ্যে বুজি পাইছে। ২০১৪ চনৰ পৰা নৰেন্দ্ৰ মোডীয়ে দেশবাসীক বহু প্ৰতিশ্ৰুতি দিলে। ভাৰতক ছুপাৰ পাৱাৰ কৰাৰ প্ৰতিশ্ৰুতিৰে শাসনলৈ আহিল। কিন্তু এই প্ৰতিশ্ৰুতি কি হ'ল? পৰৱৰ্তী সময়ত বিজেপিয়ে প্ৰতিশ্ৰুতি দিলে ভাৰত ৫ ট্ৰিলিয়ন অৰ্থনীতিৰ দেশ হ'ব। সেইটো প্ৰতিশ্ৰুতি (দহ পৃষ্ঠাত চাওক)

# প্ৰথম সংখ্যক এগ্ৰিভিজন উত্তৰ পূৱ সন্মিলনৰ পোষ্টাৰ মুকলি



ৰঙিলী বাৰ্ত্তাসেৱা- কৃষিৰ উদ্ভাৱনক আগুৱাই নিয়াৰ লক্ষ্যৰে এগ্ৰিভিজনে অনুষ্ঠিত কৰিবলৈ ওলোৱা প্ৰথম বাৰ্ষিক সন্মিলনৰ পোষ্টাৰ অসম কৃষি বিশ্ববিদ্যালয়ত মুকলি কৰা হয়। অহা ইং ১৭ আৰু ১৮ মে' ২০২৪ তাৰিখে অনুষ্ঠিত হবলগীয়া এই সন্মিলনৰ বিষয় হৈছে 'পূৱ হিমালয়ৰ আত্মনিৰ্ভৰশীল ভাৰতৰ বাবে ভৱিষ্যতৰ কৃষি'। কেন্দ্ৰীয় কৃষি বিশ্ববিদ্যালয় (ইম্ফল) মণিপুৰ, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট, অসম আৰু ICAR গৱেষণা কমপ্লেক্স NEH উমিয়ামৰ সহযোগত এই সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত পৰিৱৰ্তনশীল কৃষি পদ্ধতিৰ ওপৰত বিষদভাৱে আলোচনা কৰা হ'ব আৰু ভৱিষ্যতৰ সময়ত কৃষি খণ্ডত নতুন নতুন কৌশল প্ৰযোগৰ বাট মুকলি কৰি অঞ্চলটোৰ বহুলক্ষম উন্নয়নত লাভান্বিত কৰিব। এই সন্মিলনৰ পোষ্টাৰ যোৰহাট স্থিত অসম কৃষি বিশ্ববিদ্যালয়ত মুকলি কৰা হয়, উক্ত অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য ডঃ বিদ্যুত চন্দ্ৰ ডেকা, পঞ্জীয়ক শ্ৰী তপন গোহাঁই আৰু গৱেষণা (কৃষি) সঞ্চালক শ্ৰী সঞ্জয় চেতিয়া উপস্থিত থাকে। উল্লেখযোগ্য যে উক্ত সন্মিলন অহা ১৭ আৰু ১৮ মে ২০২৪ তাৰিখে শিলঙত অনুষ্ঠিত হ'ব।

# কা বিৰোধী সমন্বয় সমিতিৰ সংবাদ মেল




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী প্ৰেছক্লাবত 'কা' বিৰোধী সমন্বয় সমিতিয়ে এখন সংবাদ মেল অনুষ্ঠিত কৰে। সংবাদ মেল সম্বোধন কৰাৰ আগতে তেওঁলোকে প্ৰায় আধা ঘণ্টা সময় এক গোপন বৈঠকত মিলিত হয়। ইয়াৰ পাছত সংবাদিকক মাটি সংবাদ মেল দিয়ে। উক্ত বৈঠক তথা সংবাদ মেলত সমিতিৰ মুখ্য আহ্বায়ক ডঃ হীৰেন গোহাঁই, আহ্বায়ক দেবেন তামুলী, চিভিল চছাইটিৰ প্ৰাক্তন অধ্যাপক আব্দুল মান্নান, চি পি আই এম এলৰ ৰাজ্যিক সম্পাদক পংকজ দাস, সমাজকৰ্মী শংকৰ শইকীয়া, প্ৰাক্তন অধ্যাপক ডঃ পৰমানন্দ (দহ পৃষ্ঠাত চাওক)

# ছমাহৰ ভিতৰত বঙালী হিন্দুৰ

কৰিছিল। লকডাউনৰ সময়ত বিনামূলীয়া চাউল প্ৰদান কৰাৰ লগতে উজ্জ্বলা গেছ, আয়ুষ্মান কাৰ্ডৰ জৰিয়তে বিনামূলীয়া চিকিৎসা সেৱা আদি অভুতপূৰ্ব পদক্ষেপেৰে সমগ্ৰ দেশৰ লগতে অসমখনক আগুৱাই নিয়াৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। কংগ্ৰেছৰ দিনত চৰকাৰী চাকৰি লাভ কৰিবলৈ দালালক টকা দিব লাগিছিল। বৰ্তমানৰ বিজেপি চৰকাৰে যোৱা বিধানসভা নিৰ্বাচনৰ আগমুহূৰ্তত যি এক লাখ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল সেয়া আজি বাস্তৱায়িত কৰা হৈছে। বিজেপি চৰকাৰৰ দিনত কাকো এটকাও নিদিয়াকৈ দৰিদ্ৰ শ্ৰেণীৰ লগতে মধ্যবিত্ত পৰিয়ালৰ যুৱক-যুৱতীয়ে চাকৰি পাবলৈ সক্ষম হৈছে। চলিত বছৰত আৰু ৫০ হাজাৰ চৰকাৰী চাকৰিত নিযুক্তি দিয়া হ'ব। ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে লোকসভা নিৰ্বাচনৰ পিছতে ৰেচন কাৰ্ড থকা প্ৰতিটো পৰিয়ালক অৰুণোদয় প্ৰদান কৰা হ'ব। লাখপতি বাইদেউসকলকো তেওঁলোকৰ একাউণ্টত ১০ হাজাৰ টকাকৈ দিয়া হ'ব। সেই ধন সঠিকভাৱে ব্যৱহাৰ কৰিলে পৰৱৰ্তী পৰ্যায়ত পুনৰ ২৫ হাজাৰ টকাকৈ দিয়া হ'ব। ছাত্ৰীসকলক পঢ়াৰ দায়িত্বও চৰকাৰে গ্ৰহণ কৰাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এইবাৰ মেট্ৰিক উত্তীৰ্ণ ছাত্ৰীসকলে কলেজত নামভৰ্তি কৰাৰ পাছত তেওঁলোকক কলেজলৈ অহা-যোৱাৰ বাবে বছৰি ১০ হাজাৰ টকা, স্নাতক শ্ৰেণীত নামভৰ্তি কৰাসকলক বছৰি ১২,৫০০ টকা আৰু স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰাসকলক বছৰি ২৫,০০০ টকাকৈ প্ৰদান কৰা হ'ব। তদুপৰি নিবনুৱাসকলক ব্যৱসায়-ক্ষুদ্ৰ উদ্যোগ নিৰ্মাণৰ বাবে চৰকাৰৰ তৰফৰ পৰা কোনো বন্ধক নিদিয়াকৈ ২ লাখ টকাৰ ঋণ প্ৰদান কৰিব বুলিও উল্লেখ কৰে। বিজেপি চৰকাৰৰ দিনত বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত সমউন্নয়ন সম্ভৱ হৈ উঠিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে। এই সভাখনত শিলচৰ লোকসভাৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্য, সাংসদ ৰাজদীপ ৰয়, বিধায়ক মিহিৰকান্তি সোম, কৌশিক ৰয় আদি উপস্থিত থাকে।

# শিক্ষাবিদ ডঃ অশোক কুমাৰ গোস্বামীৰ ৯০ সংখ্যক ওপজা দিনত "পৰাগজ্যোতি প্ৰকাশন" ৰ পৰা সম্বৰ্দ্ধনা

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰততত্ববিদ, বিশ্ববৰেণ্য সংস্কৃত পণ্ডিত, অসম সাহিত্য সভাৰ সৰ্বোত্তম সন্মান "সদস্য মহীয়ান", ভাৰতৰ ৰাষ্ট্ৰপতিৰ পৰা সন্মানিত, "মিথিলা ৰত্ন", শিক্ষাবিদ, ভাৰতৰ লোকভাষা প্ৰচাৰ সমিতিৰ প্ৰাক্তন সভাপতি ডঃ অশোক কুমাৰ গোস্বামীৰ আজি ৯০ সংখ্যক ওপজা দিন "পৰাগজ্যোতি প্ৰকাশন" ৰ উদ্যোগত তেখেতৰ নিজ বাসভৱন মহানগৰীৰ খানাপাৰা-ত্ৰিপুৰা পথৰ 'শান্তিগ্ৰাম' আবাসত উদযাপন কৰে। ২০০২ চনত তদানীন্তন ৰাষ্ট্ৰপতি কে. আৰ. নাৰায়ণৰ দ্বাৰা বিশেষ সন্মান প্ৰাপ্ত ডঃ অশোক কুমাৰ গোস্বামীক সম্বৰ্দ্ধনা জ্ঞাপন কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতাই কয়- "অতিশয় নিৰ্মল ব্যক্তিত্বৰ অধিকাৰী ডঃ গোস্বামী চাৰ। দেশ (দহ পৃষ্ঠাত চাওক)



# আজিৰ অধঃপতিত অসমীয়া সমাজৰ বাবে জগৰীয়া কোন?

**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি**

বিষয়টো গুৰুত্বপূৰ্ণ। উক্ত বিষয়টোৰ ওপৰত যদি ক'বলৈ যাওঁ ইয়াৰ বাবে দায়ী বা জগৰীয়া আমাৰ অসমীয়া জাতিটো। কাৰণ এলেহুৱা খাৰখোৱা জাতি বুলি আমাৰ অসমীয়া জাতিটো চিৰ পৰিচিত। তলত বহলাই লিখিলোঁ-



১) আমাৰ অসমীয়া মানুহে যিকোনো কাম কৰিব নোৱাৰে, এবাৰ যদি নিজৰ গাঁও খনতে চকু ফুৰাই চাওঁ জোতা ভাল কৰা মুছি গৰাকী বিহাৰৰ পৰা অহা মানে বিহাৰী। কাপোৰ ধোৱা ধুবীজনো বিহাৰৰ, ছিলছৰৰ। মাছ বেপাৰী জনো মুছলিম বা বেলেগ জাতিৰ কিন্তু অসমীয়া খুব কম দেখো। আমাৰ গাঁওৰ তাঁত শিল্পটো পঁয়ালগা অৱস্থা ইয়াৰ বাবে কম বেছি পৰিমাণে আমিও জগৰীয়া। কিছু ক্ষেত্ৰত পৰৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ কাৰণেও এনে হৈছে।

২) আমি আমাৰ অসমীয়া ভাষাটোক শ্ৰদ্ধা নকৰো। আমাৰ সমাজত দেখিছোঁ অভিভাৱক একাংশই ইংৰাজী মাধ্যমত অসমীয়া সন্তানক নাম লগাই দিছে আৰু তেওঁলোকৰ সন্তানে অসমীয়া লিখিব নাজানে বুলি গৌৰৱ অনুভৱ কৰে। কিন্তু বেলেগ ৰাজ্য গৈ দেখিছোঁ সেই ৰাজ্যৰ লোক সকলে নিজৰ ভাষাটো ৰক্ষাৰ কাৰণে বহুত কষ্ট কৰে যাৰ ফলত সাহিত্য সংস্কৃতি সকলো ফালৰ পৰাই তেওঁলোকৰ নদন-বদন।

৩) আমাৰ অসমীয়া লোকসকল অলপ বেছি আবেগিক, কোনো এটা বিষয় যদি গণ্ডগোল লাগে কেইদিনমান হৈ চৈ থাকে তাৰ দুদিনমান পাছতে বিষয়টো নিঃছিন্ন হয়। ঘটনাটো যিমানেই ডাঙৰ নহওক।

৪) অসমীয়া মানুহৰ আন এটা দুৰ্বলতা হ'ল, কোনো এজনে যদি কিবা এটা নতুন কাম শিকিছে আৰু সেই কামটোত লাভবান হৈছে তেতিয়া সেই কামটো গোটেই বোৱেই কৰিব যায় ফলত দুদিন পিছতে সকলো শেষ হয়।

৫) অসমীয়া সকলৰ মাজত আন এক ভুল সিদ্ধান্ত সহজতে সকলোকে বিশ্বাসত লয়। অতিথিক ভগৱানৰ দৰে ভাবে যাৰ ফলত ঠগ প্ৰৱঞ্চকৰ আদিৰ জালত পৰে। উদাহৰণ স্বৰূপে- সোণ চাফা কৰি দিম বুলি ঘৰলৈ অহা অচিনাকি ব্যক্তিকো নিজৰ মূল্যবান সম্পদ খিনি তেওঁ লোকৰ হাতত উঠাই দিয়ে। সেই ধূৰ্ত ব্যক্তিয়ে ঠগাই থৈ যায়, যাৰফলত সকলো হেৰুৱাব লগীয়া হয়।

৬) আমাৰ অসমীয়া মানুহে আনক অনুকৰণ কৰে আনৰ সংস্কৃতিৰ প্ৰতি আকৰ্ষিত। উদাহৰণ স্বৰূপে-ভেলেন্টাইন ডে, ইংৰাজী নৱবৰ্ষ ইত্যাদি ইমান উল্লাস উদ্দীপনা দেখিলে আচৰিত লাগে। এই সকলোতে বিলাতী সুৰাৰ প্ৰয়োগ নিশাৰৈকে পাৰ্টি, পশ্চিমীয়া ঢৌত উটি ভাঁহি ফুৰে। যাৰ কাৰণে ইকুলো নাপাই সিকুলো নাপাই মাজতে বৈ যোৱা অটল জাহাজলৈ ৰূপান্তৰিত হয়। তাতকৈ আমাৰ জাতীয় সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হ'লে বেছি ভাল।

কৈ থাকিলে শেষ নহ'ব, গতিকে আমি অসমীয়া সকলেই ইয়াৰ বাবে জগৰীয়া। আমি অসমীয়া নহও দুখীয়া কিহৰ দুখীয়া হম- এই কথাষাৰ মানি চলিলে আজিৰ অধঃপতিত অসমীয়া জাতিটো সুৰক্ষিত হ'ব।

## চহকী

**নাজমিনা মজিদ, ধুবুৰী**

চহকী শ্ৰেণীৰ মানুহবোৰৰ ভিতৰত নিজকেও সেই শ্ৰেণীটোৰ অন্তৰ্ভুক্ত কৰে সদায় আকাশ নামৰ ল'ৰা জনে। অথচ তেওঁ বিলাসি ভাৱেও নচলে। বহুতে আচৰিত হয় কেতিয়াবা, সি সঁচাই চহকী নে?? আকাশৰ মতে চহকীৰ সংজ্ঞা অলপ ব্যতিক্ৰম। তেওঁৰ সংজ্ঞাত তেওঁ দাঙি ধৰে, "মই চহকী, কাৰণ মোৰ এটা সপোন এটা আছে"। সপোনটো লাহে-লাহে যিমানেই ডাঙৰ হৈ আছে, তেওঁ সিমানেই চহকী হৈ আছে বুলি দাবী কৰে।

## মুখা

**দেৱযানী বৰদলৈ, নগাঁও**



সম্পৰ্কত ভেজাল কৰি
বেয়া পোৱা মানুহ মই,
পেটত এটা মুখত এটা কথা কোৱাৰ
বিশেষ গুণটোও মোৰ নাই
ভিন্ন লোকৰ ভিন্ন মুখাবোৰ
দেখি মাজে মাজে আচৰিত হওঁ
দুদিনীয়া সম্পৰ্কৰ এখন সস্তীয়া বজাৰত
কেৱল স্বাৰ্থ আদায়ৰ অপ্ৰাণ চেষ্টা
যেন চলিছে এক অঘোষিত প্ৰতিযোগিতাহে
কাৰোবাক ভাল লগাবলৈকে
নিজৰ ভাললগাবোৰক জলাঞ্জলী দিয়াৰ
মহানতাখিনি নালাগে মোক
মৌসনা মাতেৰে তোষামোদ কৰাৰ
অভ্যাস নাই বুলিয়েই
প্ৰায়ে আনৰ অপ্ৰিয় হৈ ৰওঁ
বেয়া অৱশ্যে নাপাওঁ...
হাঁহি উঠে কেৱল এটা কথা ভাবি
কি প্ৰয়োজন আছে মোৰ
আনৰ বাবে নিজকে সলনি কৰাৰ
আনৰ পছন্দ মতে জীয়াই থকাৰ
আনক সন্তুষ্ট কৰিবলৈতো আৰু...
জন্ম লোৱা নাই মই!
মোৰো এটা মন আছে
মোক মই হৈ জীয়াই থাকিবলৈ দিয়ক
ক'বলৈ মন যায় মোৰ
সেই স্বাৰ্থপৰবোৰক
ভুলতো নাহিব এইফালে মহাশয়!
হ'ব পাৰে আপুনি এজন ভাল বেপাৰী
পিছে...
ইয়াত মৰম আৰু বিশ্বাসৰ
কিনা-বেচা কৰা নহয়।

## সংস্কৃতিৰ প্ৰতীকঃ বিহু

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

অসমীয়া জাতিৰ সভ্যতা-সংস্কৃতিৰ জাতীয় পৰিচয় হৈছে চেনেহৰ ৰঙালী বিহুটি। বিহু অহাৰ বাতৰি বিলায় প্ৰকৃতিয়ে। কুলি-কেতেকীৰ মিঠা মাত, লঠঙা গছক সুশোভিত কৰি তোলা কোমল কুঁহিপাত, কেতেকী, কপৌ, তগৰ ফুলৰ আমোলমোল সুগন্ধি, নপানীয়ে ধুলিয়ৰি ধুই নিকা কৰা ধৰাৰ নান্দনিক ৰূপে গ্ৰাম্য লোকৰ মনত প্ৰদান কৰা আনন্দ, কৰ্মপ্ৰেৰণা আৰু উদ্যমৰ প্ৰতিফলিত ৰূপেই হৈছে বিহু।

কৃষি প্ৰধান দেশ অসমত কৃষিজীৱি অসমীয়াৰ আবেগ-অনুভূতি জড়িত হৈ আছে কৃষিৰ লগত। অসমীয়া সংস্কৃতি পথাৰ সংস্কৃতি।কৃষিক কেন্দ্ৰ কৰিয়েই অসমীয়া জাতীয় কৃষ্টিয়ে যি স্বকীয় ৰূপ ল'লে সেয়াই অসমীয়া জাতিৰ ঘাই শিপা। কৃষি উদ্যমৰ কলাত্মক আৰু প্ৰতীকাত্মক ৰূপটোৱেই হৈছে বিহু সংস্কৃতি। এই বাপতিসাহোন বিহুটিৰ আছে এটা নিজস্ব নিভাঁজ ৰূপ। বিজ্ঞান



প্ৰযুক্তিৰ অগ্ৰগতিয়ে পথাৰ কাৰখানালৈ, কৃষক বনুৱালৈ পৰিবৰ্তন কৰাৰ সমান্তৰালকৈ সমাজ আৰু চহা সহজ-সৰল মানসিকতাৰ ক্ষিপ্ৰ সলনিয়ে আগৰ ধ্যান-ধাৰণা, জীৱন যাপনত বিৰূপ প্ৰভাৱ পেলাইছে। ক্ৰমান্বয়ে বাঢ়ি অহা প্ৰতিযোগিতামূলক অঘৈয়া হুলে জীৱন ক্ষত-বিক্ষত কৰি তুলিছে। এই খিনিতেই প্ৰশ্ন হয়-এনে সন্ধিক্ষণত প্ৰকৃত শান্ত, সামাহিত আৰু অসমীয়া সাংস্কৃতিক জীৱনটো মহিয়ান কৰি তোলা জাতীয় উৎসৱ বিহুটিৰ নিজস্ব ৰূপ লাৱণ্য অটুট আছেনে বা থাকিবনে? উত্তৰ প্ৰজন্মৰ হাতত অসমীয়া সংস্কৃতিৰ প্ৰাণ বিহুৰ প্ৰকৃত ৰূপটো তুলি দিব পাৰিমনে?

বিহুত কৃষিজীৱি মানুহে মনৰ প্ৰাচুৰ্য প্ৰতিফলিত কৰে বহু আশা আৰু আনন্দেৰে। দেহ আৰু মনৰ জড়তা ভাঙি নতুন আশা আৰু উদ্যমেৰে ভৱিষ্যতৰ সোণোৱালী সপোন ৰচে। ঢোল-পেঁপা-গগনাৰ স্বতঃস্ফূৰ্ত মাতে

( নপৃষ্ঠাত চাওক)

# যেনেকুৱা হব জনতা তেনে জননেতা, অন্ধৰ নগৰত এজন কণা ৰজা

## ( আপুনি ভোট কাক দিব? )

শৈলেন কুমাৰ, মিৰ্জা

ব্যক্তি এজন যেনে চিন্তাধাৰাৰ হয়, নিৰ্বাচনও তেনেকুৱা চিন্তাধাৰাৰ মানুহকে কৰে। বিধায়ক, সাংসদ আদি হবলৈ যোগ্যতাৰ প্ৰয়োজন কিন্তু গণতন্ত্ৰত সৰ্বাধিক লোক অশিক্ষিত। অজ্ঞানী ব্যক্তি হীনমন্যতাত গ্ৰস্ত, অজ্ঞানী এজনৰ ওচৰত এজন যিকোনো প্ৰকাৰে জ্ঞানীৰ দক্ষতা অৰ্জন কৰা ব্যক্তি উপস্থিত হয় তেতিয়া অজ্ঞানী জনে জ্ঞানী জনক ভোট দি ওপৰত উঠাই দিয়ে। যিজনৰ তুলনাত আমি ক্ষুদ্ৰ সেইজনক ভোট দি ডাঙৰ কৰি আমি আৰু ক্ষুদ্ৰতম হৈ পৰোঁ। মানুহে সদায় কম যোগ্যতাৰ মানুহক নিৰ্বাচন কৰে যিটো হৈ আহিছে বছৰবছৰ ধৰি আৰু সেয়া কৰিলে আমি নিজকে জয়ী হোৱা যেন অনুভৱ কৰোঁ। আৰু আমাৰ ভিতৰত থকা ক্ষুদ্ৰতাই সদায় ক্ষুদ্ৰতাই হব বিচাৰে, উচ্চতা আমাৰ মুঠৈই প্ৰিয় নহয়। আমি সলনি হ'লেহে দেশ সলনি হব কিন্তু আমি সলনি হব নিবিছাৰোঁ। যেতিয়া দেশ এখনত একনায়কত্ববাদ চলে তাৰবাবে অনুমতি দেশৰ জনসাধাৰণে দিয়ে। একনায়কত্ববাদৰ অৰ্থ শোষণ কিন্তু আমি শোষিত হবলৈ স্বইচ্ছাই স্বীকাৰ কৰোঁ। চীনত ৰাজনৈতিক দ'ল মাত্ৰ এটা আৰু ৰাছিয়াত পুটিনৰ বাহিৰে আৰু অদ্বিতীয় নাই, মূঠতে জনসাধাৰণৰ ইচ্ছা আৰু অনিচ্ছাত দেশত শাসন চলে, ভাল হ'লেও আমাৰ অনুমতি আছে আৰু বেয়া হলেও আমাৰ অনুমতি আছে। নিৰ্বাচন আহিলে মনত পৰে ৰাষ্টাঘাটৰ কথা ৰাষ্ট্ৰীয় ঘাইপথ এটাৰ মাজত এটা প্ৰকাণ্ড পুখুৰী সদৃশ খাল সৃষ্টি হৈছে আমি সেই খালটোৰে দৈনিক অহাযোৱা কৰাতো অভ্যাসত পৰিণত হৈছে, ৰাষ্টাৰ মাজত সেইটো খাল নহয় সেইটো হ'ল সাধাৰণ জনতাৰ মন, আমাৰ মনটো বৰ্তমান গেলাপঁচা আৱৰ্জনাৰে পৰিপূৰ্ণ পুখুৰী সদৃশ খাল, সেয়া আমাৰ নিয়তি আমি নিয়তিৰ লগত সহবাস কৰিবলৈ শিকি লৈছোঁ।



সেই খালটো আমাৰ স্বভিমান, সেই খালটো যদি কোনো জননেতাই ভাল কৰিবলৈ আহে আমি অনুমতি নিদিওঁ আমি নলানৰ্দমাত থাকি সকলো সুবিধা পাইছোঁ আমাৰ সুবিধা ভংগ কৰা জননেতাৰ হত্যা হৈ যায়। আৰু নতুনকৈ নিৰ্মিত পথত পুখুৰী সদৃশ খাল বনোৱাত আমাৰ দায়িত্ব কৰ্তব্য হৈ পৰে । নালাগে আমাক উন্নয়ন, উন্নয়ন আমাৰ সহ্য নহয়, আমাক আচনি লাগে আমি হিতাধিকাৰী হৈয়ে সুখী। আন্ধাৰে পোহৰক কেতিয়াও আকোঁৱালি ল'ব নোৱাৰে, আমি শোষিত আমি দমিত সেয়া আমাৰ নিয়তি। নতুন ঘৰ বনালে তাত থু পিক পেলোৱাতো আমাৰ পৰম্পৰা নতুনক আমি থু পিক আদিৰে ৰাজতিলক কৰোঁ। আমি ছাফচিকুন নিবিচাৰো, লেতেৰা আমাৰ প্ৰিয় গতিকে ভাল ছাফা বস্তু আমি কেতিয়াও স্বীকাৰ নকৰোঁ। জনপ্ৰতিনিধি সদায় জনতাৰ লগত চলে, যেনে হব জনতা তেনেকুৱা হব জননেতা। জনতাই যিফালে গতি কৰে জননেতা জনকো সেইফালে গতি কৰিবলৈ বাধ্য কৰে। এনেকুৱা এজন জননেতা নাই যিজনে বুকুত হাত দি ক'ব পাৰিব মই জনতাৰ পিছত নচলো, সত্যৰ পথত চলিম আৰু জনতা মোৰ পিছত চলিব লাগিব। যেতিয়া জনতাই নিজৰ হিত দেখিব তেতিয়াহে নেতাইও জনতাৰ হিত দেখিব, যদি আমি নিজেই নিজৰ অহিত হোৱাত বিচাৰোঁ তেন্তে নেতাই কি কৰিব ? জননেতাও বাধ্য শাসন কৰিবলৈ জনতাৰ হিচাপত চলিবলৈ। মুৰ্খৰ লগত মুৰ্খ আৰু জ্ঞানীৰ লগত জ্ঞানী হবলৈ। এজন নেতা সাধাৰণ চিন্তাধাৰাৰ হব পাৰে কিন্তু জনতাৰ স্বাৰ্থত নেতাজন উগ্ৰ হবলৈ বাধ্য হয়, উগ্ৰ আৰু উত্তেজিত ভাষণ দিবলৈ বাধ্য হয় কাৰণ আমাক উত্তেজনা লাগে ধৰ্মৰ নামত কটাকটি, মৰামৰি লাগে। নেতা সদায় জনতাৰ আগত থাকিব লাগে কিন্তু হৈছে ওলটা জনতাৰ পাছত নেতা। দেশ বচাবলৈ হ'লে আগতে জনতাক বচাব লাগিব। জনতা জাগ্ৰত হ'লেহে উৎকৃষ্ট নেতা আমি পাম নহলে অন্ধৰ মাজত কণা ৰজাৰ দৰে হব। জনতাৰ সাধাৰণতে বিকল্প থাকে জনপ্ৰতিনিধি নিৰ্বাচন কৰাৰ ক্ষেত্ৰত (১) যি যেনেদৰে আছে তেনেদৰে থাকিবলৈ দিয়ক, মুৰ্খবোৰ মুৰ্খ হৈয়ে থাকিব দিয়ক। (২) মুৰ্খ আৰু অজ্ঞানীবোৰক শোষণ আৰু লুটপাত চলোৱা বিধৰ। (৩) মূৰ্খ আৰু অজ্ঞানীবোৰক জ্ঞানৰ মাৰ্গ দেখুৱাই অন্ধকাৰৰ পৰা মুক্ত কৰা জনহে প্ৰকৃত জননেতা হোৱাৰ যোগ্য । কিন্তু তৃতীয় বিকল্পৰ যে যুগ আহিব তাকলৈ অপেক্ষা নকৰি আমি নিজে সজাগ সচেতন হোৱাৰ প্ৰয়োজন। নিজস্ব মুৰ্খামিবোৰ নিজে দূৰ কৰি নিজক উৎকৃষ্ট কৰিব লাগিব, তেতিয়াহে সমাজ, ৰাষ্ট্ৰ আৰু দেশ বাচিব। গণতন্ত্ৰই কেতিয়াবা বিপদ মাতিব পাৰে, পাগলৰ মাজত যদি গণতন্ত্ৰ চলাই দিয়া হয় তেতিয়া ডাক্তৰজনৰ অপমৃত্যু হয়। গণতন্ত্ৰত ৰাইজেই ৰজা কিন্তু ৰাইজেই যদি নিজৰ হিত জ্ঞান পাহৰি পেলাই তেতিয়া কি হব? আমাক গণতন্ত্ৰ লাগে কিন্তু জাগ্ৰত গণতন্ত্ৰ হব লাগিব য'ত নিজৰ হিতাহিত নিজে জানিব পাৰিব আনে ক'ব নোৱাৰিব আমাৰ হিত অহিতৰ কথা । গণতন্ত্ৰ তেতিয়াহে ফলপ্ৰসূ যেতিয়া এজন ব্যক্তিৰ সংসাৰ, সমাজ আৰু নিজস্ব হিতাহিতৰ জ্ঞান থাকে। টকাৰ লোভ, ভৱিষ্যতৰ লোভ, ভয়, আশা দেখুৱাই ভোট সংগ্ৰহ কৰাটো প্ৰকৃত গণতন্ত্ৰ নহয়।

# চেতনাৰ আৰোহিণীঃ উপলব্ধি, প্ৰতিবাদ আৰু তন্ময়তা

জ্যোতি খাটনিয়াৰ

ছবিয়ে যিবোৰ সমলৰ ভিত্তিত এখন জগত তৈয়াৰ কৰি লয়, তাত সম্পৰ্ক আৰু অনুসন্ধানৰ এক গভীৰ স্থান থাকে। ছবিয়ে ক'ৰবাত যদি অন্তৰ্নিহিত দৃষ্টিৰ যোগেদি কেতবোৰ পৰম সত্যৰ সন্ধান কৰিছে, তেনেহলে আন ক'ৰবাত ই আমাৰ সংঘাতপূৰ্ণ সময় আৰু পৰিস্থিতিক অতিক্ৰমি এখন অন্য জগতৰো সন্ধান দিছে। বহু সময়ত এখন শিল্পকৰ্ম পোনপটীয়াকৈ প্ৰতিবাদৰ ভাষা নহৈ সমকালীন পৰিস্থিতিৰ সমীক্ষাত্মক অধ্যয়ন (critical study) হ'ব পাৰে। আধুনিক আৰু সমকালীন শিল্পই এক ধৰণৰ ৰূপান্তৰৰ মাধ্যমেৰে কাম কৰে। এক বিশেষ গতিশীলতাক নিজৰ সৃষ্টিৰ সৈতে সংলগ্ন কৰি নতুন অভিজ্ঞতা আৰু সম্ভাৱনাৰ এখন জগত তৈয়াৰ কৰাৰ প্ৰচেষ্টা আধুনিক শিল্পচেতনাৰ এক গুৰুত্বপূৰ্ণ অংগ। উদাহৰণস্বৰূপে, আধুনিক চিত্ৰকলাৰ দুগৰাকী শক্তিশালী শিল্পী -- এডভাৰ্ড মুন্‌খ আৰু ভেন গঘৰ কথাই ক'ব পাৰি। মুন্‌খে অকল জীৱনৰ অস্তিত্ব সংক্ৰান্তীয় জটিলতাকে ধৰি ৰখা নাই; মানৱ শৰীৰৰ স্বাভাৱিক পৰিবৰ্তনৰ কথা যেনে বয়ঃসন্ধি (puberty) ৰ দৰে বিষয়কো তেওঁ এক নতুন পৰিসৰ প্ৰদান কৰিছে। মুন্‌খৰ বয়ঃসন্ধি ( puberty, ১৮৯৪-৯৫) ছবিত এগৰাকী কিশোৰীৰ সহজাত সংকোচক মুন্‌খে শিল্পৰ পৰিসৰ (artistic range) প্ৰদান কৰিছে। কণমানিজনিৰ শাৰীৰিক পৰিবৰ্তনৰ সন্মুখত তাইৰ অসহায় অৱস্থাটো এক ধৰণেৰে ইয়াত ফুটি ওলাইছে। কণমানিজনিয়ে নিজৰ শৰীৰৰ চেতনাৰ এই পৰিবৰ্তনক (যৌন সচেতনতা; এগৰাকী সমালোচকৰ ভাষাত her dawning sexual awareness) কিদৰে নিজৰ মনৰ মাজত প্ৰকৃতাৰ্থত উপলব্ধি কৰে, সেয়া মুন্‌খে এজন পুৰুষ শিল্পী হিচাপে হয়তো বুজিও নুঠিব বা প্ৰকাশো কৰিব নোৱাৰিব। কিন্তু মুন্‌খৰ সফলতা হ'ল যে অন্য এগৰাকী মানুহৰ মনৰ অৱস্থা বা পৰিবেশক তেওঁ কেনেভাৱে সঠিক ভাৱে পৰিকল্পনা কৰিব পাৰিছে আৰু সেই পৰিস্থিতিৰ প্ৰতি দৰ্শকৰ মনত সহানুভূতিৰ সৃষ্টি কৰিব পাৰিছে। যিজন মুন্‌খে শৰীৰৰ পৰিবৰ্তনক এক শৈল্পিক মাত্ৰা দিছে, সেই একেজন মুন্‌খেই 'চিঞৰ ' (The Scream, ১৮৯৩) ছবিত আকৌ বাহিৰৰ জগতৰ এক শক্তিশালী অভিঘাতে কিদৰে মানুহক যন্ত্ৰণাকাতৰ আৰু আতংকগ্ৰস্ত কৰি তুলিছে, তাৰ খবৰ আটাইতকৈ নিৰ্ভুল ভাৱে ধৰি



ৰাখিছে। বিয়লিৰ বেলা চহৰৰ এটা পথেদি খোজ কাঢ়ি যোৱা এজন মানুহ। হঠাৎ তেওঁৰ অনুভৱ হৈছে আকাশখন তেজ ৰঙা, পাহাৰবোৰ গভীৰ নীলা । শিল্পী মুনঞ্জৰ নিজৰ ভাষাত : "It was a Time when Life had lacerated my Soul."এই উপলব্ধিয়ে সময়, জীৱন আৰু আত্মাক এক বিশেষ বিন্দুত সংযোগ কৰিছে। এক গভীৰ আৰু তীব্ৰ অনুভূতিৰ ভয়ংকৰ উপস্থিতিক ৰং আৰু গতিৰে মুন্‌খে কেনেভাছত ধৰি ৰাখিছে। শিল্পীজনাৰ আভ্যন্তৰীণ আৰু বাহ্যিক, দুয়োটা জীৱনেই ইয়াত গভীৰভাৱে সংযুক্ত হৈ পৰিছে। সমালোচকৰ দৃষ্টিত মুন্‌খৰ এই ছবিখন বাস্তৱ ( concrete reality) আৰু বিষয়ী অভিজ্ঞতা ( subjective experience ) ৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ সংযোগ। এই ছবিখনত যি অবয়ৱ, সি চিঞৰিব খুজিছে নে আন চিঞৰক শুনিব খুজিছে- এই দুয়োটা প্ৰশ্ন সমান্তৰালভাৱে আমাৰ সন্মুখত আছে। পুৰুষ নে মহিলা, তৰুণ নে বৃদ্ধ, এই চিঞৰৰ কাৰণ কি, কোনোটোৰেই উত্তৰ এই কেনভাছে দিয়া নাই। কিন্তু ই বিভিন্ন সমান্তৰাল প্ৰশ্নৰ সন্মুখত দৰ্শকক থিয় কৰি দিছে। মুন্‌খৰ দেশ, নৰৱেৰ প্ৰসিদ্ধ সমালোচক, Øystein Ustvedt ৰ ভাষাত- " The painting becomes a mirror, through which the works meaning arises in the encounter with each individual viewer."

আধুনিক চেতনাক গভীৰভাৱে স্পৰ্শ কৰা আন এজন শিল্পী ভেন গঘে তেওঁৰ ভয়াবহ অস্থিৰতা আৰু হতাশাৰ মাজত জীৱনৰ এক অন্য স্তৰৰ অনুসন্ধানক বিচাৰি পাইছে। চেতনাৰ ব্যক্তি বিশেষ বা ব্যক্তি নিৰ্ভৰ উপাদানসমূহে কিদৰে শিল্পী এজনৰ সামগ্ৰিক দৃষ্টিক প্ৰভাৱিত কৰিব পাৰে, তাৰ বিখ্যাত উদাহৰণটোৰে হ'ল ভেন গঘ। গ্ৰাম্য চহা জীৱনৰ অন্ধকাৰ আৰু দুৰ্দশাগ্ৰস্ত ছবি আঁকাত সিদ্ধহস্ত ভেন গঘে কি ধ্যানমগ্ন তন্ময়তাৰে সূৰ্য্যমুখী ফুলবোৰ আঁকিছে, তাক বৰ্ণনা কৰা সহজ

( নপৃষ্ঠাত চাওক)

# এটা কাৰণ এটা অজুহাত

**সংযুক্তা দত্ত**



মানুহক কাম এটা কৰিবলৈ এক বিশেষ কাৰণ লাগে । ঠিক তেনেদৰে মানুহক কাম এটা নকৰিবলৈ এটা অজুহাত লাগে। এটা কাৰণেই আপোনাক বহুত কিবা কিবি দি থৈ যাব পাৰে। ঠিক তেনেদৰেই এটা অজুহাতেই আপোনাৰ পৰা বহুত কিবা কিবি লৈ যাব পাৰে। আপুনি সুখী আৰু সফল হ'বলৈ হ'লে মাত্ৰ আপোনাক এটা কাৰণই প্ৰয়োজন হ'ব! কিন্তু আপুনি দুখী আৰু বিফল হ'বলৈ হ'লে আপোনাক বহুত অজুহাতৰ প্ৰয়োজন হ'ব। কামৰ প্ৰতি থকা অজুহাতবোৰ লাহে লাহে নাইকিয়া কৰক আৰু কামৰ প্ৰতি থকা কাৰণবোৰক লাহে লাহে আনিবলৈ চেষ্টা কৰক। অসমীয়াত এটা ফঁকৰা-যোজনা আছে - "এলাহৰ কাম ছমাহৰ"। অৰ্থাৎ আমি যদি কামবোৰ আমাৰ এলাহৰ বাবে থৈ যাওঁ পাছত কৰিম বুলি তেতিয়া আমাৰ সেই কামবোৰ কেতিয়াও কৰা নহয়। এদিনৰ এলাহ আমাৰ বাবে ছমাহৰ এলাহ হৈ পৰে। আৰু শেষ পৰ্যায়ত আমি কামবোৰ ভালদৰে শৃংখলাবদ্ধভাৱে কৰিবলৈ সক্ষম নহওঁ।

সেই মূহুৰ্তত এলাহ আমাৰ বাবে অজুহাত হৈ পৰিল। যদিহে আমি সেই মূহুৰ্তত এলাহ আৰু অজুহাতক ত্যাগ কৰি কাম কৰাৰ এটা কাৰণ বিছাৰি ললো হেতেঁন তেতিয়া সেই কামটো সোনকালে শেষও হ'লহেতেঁন আৰু কামটো কৰি থকা মূহুৰ্তত আমি বহুত কিবা কিবি শিকিবও পাৰিলোঁ হেতেঁন। গতিকে, আপুনি জীৱনত কি বিছাৰে এটা কাৰণ নে এটা অজুহাত সেয়া সম্পূৰ্ণ আপোনাৰ ওপৰত নিৰ্ভৰ কৰিব ।

# ৰঙালী বিহু সম্পৰ্কীয় অসমীয়া পৰম্পৰাগত লোকবিশ্বাস আৰু লোকাচাৰ

বিহু অসমৰ জাতীয় উৎসৱ। আমাৰ তিনিটা বিহুৰ ভিতৰত ব'হাগ বিহু বা ৰঙালী বিহুৱেই প্ৰধান। চ'ত মাহৰ শেষ দিনা বা সংক্ৰান্তিৰ পৰা ব'হাগ বিহু আৰম্ভ হয়। ইয়াক চ'তৰ বিহু বুলিও জনা যায়। বিহু হৈছে অসমীয়া মানুহৰ কৃষিভিত্তিক উৎসৱ। তাই আহোম শব্দ "পয়-বিহু/পিউ/পিহু" ৰ পৰাই 'বিহু' শব্দৰ উৎপত্তি বুলি জনা যায়। যিহেতু আহোমসকলেই অসমলৈ বিহু সংস্কৃতি কঢ়িয়াই আনিছিল বুলি বুৰঞ্জীয়ে উল্লেখ আছে। চ'ত মাহৰ শেষত আৰম্ভ হৈ বহাগ মাহত বিহু শেষ হয়।

ব'হাগ বিহু বা ৰঙালী বিহু বসন্ত কালৰ আগমণত উদযাপন কৰা অসমৰ মূল বিহু উৎসৱ। ৰঙালী বিহুক যৌৱনৰ উৎসৱ বুলি কোৱা হয়। এই উৎসৱত ডেকা গাভৰুৱে ৰাতি বিহু পাতে, বিহুৰ মাজতে নিজৰ জীৱন সংগী বিচাৰি উলিয়ায়। কৃষি সংস্কৃতিৰ আৰম্ভণিৰে পৰা এনেধৰণৰ উৎসৱ চলি আহিছে। যৌৱনৰ লগত খেতি মাটিৰ উৰ্বৰতাৰ সম্বন্ধ আছে বুলি মানুহে বিশ্বাস কৰে। খেতি আৰম্ভ কৰাৰ আগে আগে পালন কৰা ৰঙালী বিহুৰ কৃষিৰ লগত ওতঃপ্ৰোত সম্বন্ধ আছে। বিহুৰ লগত জড়িত হৈ আছে বহু লোকবিশ্বাস আৰু লোকাচাৰ। লোকবিশ্বাস হৈছে কোনো সমাজে পৰম্পৰাগতভাৱে মানি অহা কেতবোৰ বিশ্বাস। সভ্যতাৰ আদিম স্তৰৰ পৰা বৰ্তমান সময়লৈকে যিমান অভিজ্ঞতা লাভ কৰিছে, সেই অভিজ্ঞতাই জন্ম দিছে লোকবিশ্বাস আৰু লোকাচাৰৰ। লোকবিশ্বাসৰ ফলত পালন কৰা কাৰ্য্যসমূহকে লোকাচাৰ আখ্যা দিয়া হয়। বিহু অসমীয়াৰ জাতীয় উৎসৱ। কৃষিজীৱি অসমীয়াই কৃষিভিত্তিক এই লোক-উৎসৱটিৰ মাজেৰে নিজৰ জাতীয় পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। তিনিওটা বিহু অতীজৰে পৰা বিভিন্ন ৰীতি-নীতিৰে পালন কৰি আহিছে।

অসমীয়াৰ বছৰটো আৰম্ভ হয় বহাগ বিহু উদযাপনৰ লগে লগে। এই বিহুত ৰং-ৰহইছ বেছি কৰা হয় বাবে 'ৰঙালী বিহু' আখ্যা দিয়া হয়। পূৰ্বতে কৃষিজীৱ ৰাইজৰ কৃষিকৰ্মৰ প্ৰধান অৱলম্বন আছিল হালৰ গৰুহাল। গৰুহাল সুস্থ-সবল হৈ থাকিলেহে পথাৰৰ মাটিডৰা চহাই শস্য সিঁচিব পাৰিব। গৰুহালৰ সু-স্বাস্থ্য কামনা কৰি চ'ত আৰু ব'হাগৰ সংক্ৰান্তিৰ দিনাখন অতীতৰ পৰাই অসমীয়াই গৰু বিহু পালন কৰি আহিছে। উক্ত দিনা গৰুহালক পুৱাই মাহ-হালধি সানি গা ধুওৱা হয় আৰু নতুন পঘা দিয়াৰ লগতে গৰুৰ গাত লাও-বেঙেনা দি দীঘলতি-মাখিয়তি পাতেৰে কোবোৱা হয়। এনেদৰে মাখিয়তি পাতেৰে কোবালে গৰুৰ গাত মহ-মাখি কমকৈ পৰে বুলি লোকবিশ্বাস প্ৰচলিত আছে। বহুতো ঠাইত চহা লোকে পুৱাই উঠি গোহালিৰ



**প্ৰিয়ংকা চমুৱা, ঢকুৱাখনা, লখিমপুৰ**

*( নপৃষ্ঠাত চাওক)*

# আমাৰ যোৰহাট নগৰৰ অপৰাধ জগতৰ সঁচা কাহিনীৰে এখন উপন্যাস

**যোৰাখণ্ডৰ পৰা...**




অপৰাধ জগতৰ লগতে সেই সময়ৰ সমাজখনৰ কথাও পাঠকে পঢ়িবলৈ পাব। বিল্লালে নাৰায়ণৰ মাকক বৌটি বুলি মাতে। চাও বৌটি, কিবা এটাতো কৰিব লাগিব। যি কৰ একেলগে কৰি বি সৰুৰপৰা দুইটা একেলগে থাক, একেলগে পঢ়া-শুনা কৰ, গতিকে যি কৰ একেলগে কৰিবিহক।(পৃষ্ঠা ১৫) এইগৰাকী মাতৃৰ কথা দুয়ো মানি চলে। উপন্যাসখনৰ শেষ অধ্যায়লৈকে দুয়ো একেলগে আছে। জীৱনৰ শেষদিনবোৰ সতভাৱে কটাবলৈ সিদ্ধান্ত লৈ বিল্লালে যোৰহাট এৰি গোলাঘাটলৈ যায়। যোৰহাটৰ ঘৰ

**অঞ্জু শাণ্ডিল্য**

নাৰায়ণৰ জিম্মাত থৈ যায়। এজন মুছলমানৰূপে ভগবানক ক্ষমা খোজে- "হে খোদা, মোক আৰু মোৰ পৰিয়ালটোক মাফ কৰি দিবা।" (পৃষ্ঠা ২২১) যোৰহাট এৰি গোলাঘাটলৈ যোৱাৰ দিনা নাৰায়ণক এৰি থৈ যাবলৈ ওলোৱাৰ সময়ত দুয়ো শোকত ভাগি পৰিছে। "গাড়ীৰ ওচৰত বিল্লালে নাৰায়ণক সাবটি ধৰিলে। বিল্লালৰ চকুৰ পৰা চকুপানী বৈ আহিল। বিল্লালে নাৰায়ণক ক'লে, 'যোৰহাট এৰি যাবলৈ মোৰ দুখ লগা নাই, কিন্তু দোস্ত তোক এৰি যাবলৈ মোৰ খুব দুখ লাগিছে যোৱা ত্ৰিশ বছৰৰ বেছি দিন দুয়োটাই একেলগে কাম কৰিলো। আজিৰ পাছত আকৌ একেলগে দুয়োটাই কাম কৰিব নোৱাৰো নহয় জানো? তাৰ চকু দুটা হঠাৎ সেমেকি উঠিল, সি মুখখন ঘূৰাই আনিলে আৰু মথাউৰিৰ পৰা নামি লাহে লাহে বিল্লালহতে এৰি থৈ যোৱা ঘৰটোলৈ আগবাঢ়ি গ'ল। কেৱল ভোগদৈ নৈখন এই সকলো ঘটনাৰ একমাত্ৰ সাক্ষী হৈ থাকিল।" (পৃষ্ঠা ২২৪) যোৰহাট এৰি গোলাঘাটলৈ যোৱাৰ দিনা নাৰায়ণক এৰি থৈ যাবলৈ ওলোৱাৰ সময়ত দুয়ো শোকত ভাগি পৰিছে। "গাড়ীৰ ওচৰত বিল্লালে নাৰায়ণক সাবটি ধৰিলে। বিল্লালৰ চকুৰ পৰা চকুপানী বৈ আহিল। বিল্লালে নাৰায়ণক ক'লে, 'যোৰহাট এৰি যাবলৈ মোৰ দুখ

লগা নাই, কিন্তু দোস্ত তোক এৰি যাবলৈ মোৰ খুব দুখ লাগিছে যোৱা ত্ৰিশ বছৰৰ বেছি দিন দুয়োটাই একেলগে কাম কৰিলো। আজিৰ পাছত আকৌ একেলগে দুয়োটাই কাম কৰিব নোৱাৰো নহয় জানো?' তাৰ চকু দুটা হঠাৎ সেমেকি উঠিল, সি মুখখন ঘূৰাই আনিলে আৰু মথাউৰিৰ পৰা নামি লাহে লাহে বিল্লালহতে এৰি থৈ যোৱা ঘৰটোলৈ আগবাঢ়ি গ'ল। কেৱল ভোগদৈ নৈখন এই সকলো ঘটনাৰ একমাত্ৰ সাক্ষী হৈ থাকিল।" (পৃষ্ঠা ২২৪)

ভোগদৈ নৈখন অনেক ঘটনাৰ বাক্ষী। যোৰহাট নগৰৰ মাজেৰে বৈ যোৱা ভোগদৈ নৈখন আহোম ৰাজত্বকালত যোৰহটীয়া ৰাইজে খন্দা নদী। নাৰায়ণ-বিল্লালৰ অকৃত্ৰিম বন্ধুত্বৰেই বাক্ষী ভোগদৈ নহয়। যোৰহাটৰ হিন্দু - মুছলমানৰ সম্প্ৰীতিৰো নিদৰ্শন ভোগদৈ নৈখন। এই মৰম তোমাৰ বাবে, বন্ধন, ছবিৰ, মন অৰণ্য, নিশাৰ নায়ক ধাৰাবাহিকৰ আৰু বহুত নাটক ধাৰাবাহিকৰ চিত্ৰনাট্য ৰচনা কৰা তৌফিক ৰহমানে লিখি উলিয়ায় এখন সুকীয়া উপন্যাস 'খলনায়ক'। উপন্যাস খনৰ মুখ্যচৰিত্ৰ বিল্লাল হুছৈনে লেখকৰ মতে খলনায়কৰ ৰূপত অৱতীৰ্ণ হৈছে যদিও পাঠকে বিল্লালক নায়কৰ ৰূপতহে দেখিব। হত্যাকাণ্ড, হিংসা, লুণ্ঠন, মাৰপিট আদি অপৰাধ জগতৰ ঘটনাৰ লগতে বিল্লালৰ প্ৰেম, সাহস, মানবীয়তা, পৰোপকাৰীতা আদিও উপন্যাসখনৰ পাতে পাতে আছে। ২২৪ পৃষ্ঠাৰ গ্ৰন্থখনৰ প্ৰচ্ছদসজ্জা চিত্ৰলেখাৰ। ৩৬০টকা মূল্যৰ গ্ৰন্থখনৰ প্ৰকাশক পূৰ্বায়ণ প্ৰকাশন। যোৰহাটৰ সমলয় আৰু গুৱাহাটীৰ পানবজাৰৰ গ্ৰন্থ বিপনীত পাঠকে গ্ৰন্থখন পাব।

# কবিতাৰ শিতান

## ফাট বিহুৰ অনুভৱ

**পংকজ সভাপণ্ডিত,**
**উত্তৰ লক্ষীমপুৰ**

মহঘূলি চাপৰি আৰু ফাট বিহু যেন,
এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি
ঢকুৱাখনাৰ স্বাভিমানৰ প্ৰতীক
ফাট বিহু...
ক'ত বিহুৱা ডেকাৰ,
ক'ত নাচনী ৰ পৰম প্ৰাপ্তি ফাট বিহু।
যাৰ এক সোণালী ইতিহাস আছে,
য'ত পৰম্পৰা ৰক্ষা হয়,
য'ত জাতীয় সাজপাৰৰ স্বৰ্কীয়তাৰ
আৰ্হি এক নিদৰ্শন।
ফাটৰ বিহুৰ উমাল আলিঙ্গনত
জাতি-জনগোষ্ঠী মহিয়াণ,
দলে দলে শিল্পী আহিল আৰু গ'ল,
ফাট বিহু পৰম্পৰা হীন্ -ডেঢ়ি ন'হল,
সময়ৰ লগত খোজ মিলাই জীৱন আগবাঢ়ে,
আমি আশাবাদী নৱ প্ৰজন্মৰো
এই জাতীয় ঐতিহ্য ৰক্ষা কৰিব।
শান্ত সমাহিত চাঢ়ীকৰিয়া নদীৰ দৰেই...
ফাট বিহু অসমীয়াৰ তেজত বৈ থাকিব।



## বসন্তৰ ৰাগীত মোৰ প্ৰিয়তমা

**মেদিনী মোহন ভট্টাচাৰ্য, গুৱাহাটী**

লাহৰী গগনা খোপাত পিন্ধি
তুমি নঙলাত নৱ'বা সাদৰী
কপৌফুলা আমজুপিৰ ডালত
লাজত বোবা হব কুলি- কেতেকী
ৰামধনক লৈ মাহিতা ঘূৰাই
তোমাৰ পদুলিত দুকুৰিটো চেঙেলীয়া মন
থাকক থাকিব দিয়া
বজাৰৰ উচ্চ দৰৰ অধৰ ৰাগ
বৰ্হমথুৰি লগাই মিছিকিয়াই দিয়াচোন সাদৰী
সেই তাহানিৰ দৰেই
উদ্দাম যৌৱনে কঁপাব
তোমাৰ বুকুৰ প্ৰতিটো কোঠালি
মই বান্ধ খুলি আকৌ এবাৰ প্ৰেমিক হম
তোমাৰ খিলখিল হাঁহিত মচি পেলাম
জীৱনৰ সমস্ত অপ্ৰাপ্তিৰ পৃষ্ঠা
আৰু পদুলিমুখৰ পুখুৰীত এৰি দিম
ভালপোৱাৰ এজাক ডঁৰিকনা।

## কুলিৰ মাতত নামে বসন্ত

**কল্পনা দেৱী, গুৱাহাটী**

কুলিৰ মাতত নামে বসন্ত
বন্ধ্যা পৃথিৱীলৈ কঢ়িয়াই
সৃষ্টিৰ অংকুৰ অনন্ত!
উকা-উকা পথাৰ ৰিঙা ৰিঙা মন
লঠঙা ডালত জুইৰঙী ফুল
আপোনজনক বিচাৰি হিয়া বিয়াকুল
গভীৰ ৰাতি বিৰহি কেতেকীৰ
হিয়াভগা বিননিত বৈ বৈ বাজে
জংকি-পানেইৰ সেই কালজয়ী
সোৱণশিৰিয়া বিষাদৰ সুৰ।
আকাশত ডাৱৰে মাদল বজাই
নুপুৰৰ তালে তালে বৰষাৰ ৰুনজুন
চৌদিশ মুখৰিত পুৰাতন ৰাগ
সেই ৰাগ মেঘমল্লাৰ
যৌৱনপ্ৰাপ্ত হয় ৰত্নগৰ্ভাৰ বুকু
তিৰবিৰাই উঠে বনময়ূৰীৰ তৃষ্ণাৰ্ত চকু
মিছিং ডেকাৰ পুলি কুৰুলিত প্ৰাণ পাই
মতলীয়া বসন্তৰ যাদুকৰী তান
চৌদিশ ৰজনজনাই নৱবৰ্ষৰ গান।
ঋতুৰাজেই আনে আশাৰ বতৰা
আৰম্ভ হয় জীৱনৰ নতুন আখৰা।



## বহাগ

**নিৰ্মিতা বৰগোহাঁই, গুৱাহাটী**

নৱ যৌৱনা বাসন্তী পুৱা
কেঁচাপতীয়া দেহত জালিকটা ৰিহা
কপালত জিলিকে ৰঙা বেলি এটা
অভিমানী হিয়াখন এতিয়া
বৰ আলসুৱা
দুহাত জেতুকাবুলীয়া
ঢোলৰ ছেৱে ছেৱে
ঢপলিয়াই ফুৰা মন এটা
বান্ধি ৰাখিব জানো পাৰি
কুলি, কেতেকীৰ মাতত সুৰীয়া পৱন
হাড়ে-হিমজুৰে শিপাই থকা
বহাগৰ হেঁপেহুৱা যৌৱন।



## পিতাই

**এছ ইছলাম, শিক্ষক, বৰপেটা**

পিতাই অ'
তোলৈ বৰকৈ মনত পৰিছে
আজি তোৰ লগত ঈদগাহলৈ
যাবপৰা নাই অ' পিতাই!
যোৱা বেলি তোৰ লগত
ঈদলৈ গৈছিলো।
আজি তই যে নাই
মূৰৰ ওপৰৰ ছাঁ খিনি যে নাই
গোটেই বিশ্বৰ ৰ'দ-বৰষুণ
আজি মোৰ ওপৰত পৰিছে অ'
নিঃস্বাৰ্থ ভাবে সহায় কৰা
কোনো নাই।
আজি গোটেই বিশ্বখন
হুৱাধুৱা যেন লাগিছে ঐ
পিতাই অ' কেনে আছা তই
ক'ত বিচাৰি পাম তোক
খবৰ পোৱা নাই
কেনে ঠাইত আছা বাৰ্তা পাবলৈ নাই।

## ছন্দোময় বহাগ

**টেজেন হাজৰিকা**

ফাগুনে পখালি যোৱা
লঠঙা বিৰিখৰ ডালত
উকমুকাই উঠিল এটি
সেউজীয়া সপোন
প্ৰকৃতি হ'ল নৱৰূপা
কুলি কেতেকীৰ সুৰদী মাতত
পৃথিৱী হ'ল বিনন্দীয়া
নাহৰ তগৰ কপৌ কেতেকীৰ ৰূপত
গাভৰু হ'ল পৰিৱেশ
ঢোল পেঁপা গগনাৰ মাতত
চেনেহীৰ দেহত নাচোনৰ লয়লাস
মাকোৰ খিতখিতনি গৰকাৰ দপদপনিত
সপোন ৰছে গুটি ফুলৰ গামোছাত
ঢেঁকীৰ চাবে চাবে বহাগৰ সুহুৰি
বোৱাৰী জীয়ৰীৰ গা সাতখন আঠখন
আহিব চেনাইধন পিন্ধাব ন-সাজ
বুকুৰ উমেৰে যাচিব মৰমৰ বিহুৱান
পিঠাপনা লাডু জলপানেৰে অতিথি আপ্যায়ন
বুঢ়া-মেঠাৰ আশীৰ্বাদত উজলিব জীৱন
সম্প্ৰীতিৰ বান্ধোনত একত্ৰিত হ'ব অসম
বাপতিসাহোন অসমীয়াৰ বহাগৰ বিহু
ঢোলে দগৰে নানাচি কেনেকৈ থাকোঁ

# ৰঙালী বিহু সম্পৰ্কীয় অসমীয়া

গৰুকেইটা শুই আছে নে নাই সেইটো নিৰীক্ষণ কৰে। শুই থকাৰ পৰিৱৰ্তে উঠি থাকিলে বানপানী হোৱাৰ শংকা থাকে, শুই থাকিয়েই মুৰ ওপৰলৈ তুলি থাকিলে প্ৰবল বানপানী হোৱাৰ আশংকা থাকে বুলি কৃষিজীৱি ৰাইজে বিশ্বাস কৰে। গধুলি গৰু-গাই ঘৰলৈ ঘূৰি অহাৰ পিছত পদুলিতে ঘৰৰ গৃহিনীয়ে (বা গৃহস্থই) গৰুৰ ভৰি ধুৱাই দিয়াৰ লগতে বিচনীৰে বা দিয়ে। উল্লেখযোগ্য যে গৰুক বিচনীৰে বা দিয়াৰ পাছতহে মানুহে বিচনী ব্যৱহাৰ কৰে। ইয়াৰ পূৰ্বে বিচনীৰ বা ল'লে অপায়-অমঙ্গল হ'ব পাৰে বুলি গাঁৱলীয়া লোকে বিশ্বাস কৰে। অঞ্চলবিশেষে গৰুক পিঠা-পনা খুওৱাৰো পৰম্পৰা আছে। শুকান খেৰ, তুঁহ, দীঘলতী আদিৰে ধোঁৱা দিয়া হয়। এনে কৰিলে বছৰটোলৈ গোহালিৰ মহ-মাখি আঁতৰে বুলি লোকবিশ্বাসৰ প্ৰচলন আছে। প্ৰকৃততে হালৰ গৰুৰ সু-স্বাস্থ্য কামনাৰেই এই ধৰণৰ লোকাচাৰ চহা লোকসকলে পালন কৰি আহিছে- এই কথা নিঃসন্দেহে ক'ব পাৰি। এই বিহুতে বুঢ়া-মেথা, ডেকা-গাভৰু সকলোৱে মিলি ৰং-ৰহইচ কৰিলে। সৰুৱে ডাঙৰক সেৱা-সন্মান জনালে। ডাঙৰে সৰুক এজোলোকা আৰ্শীবাদ জনালে- অনাগত বছৰটো যেন কুশলে যায়। চেনেহীয়ে চেনাইক বিহুতলীত বিহুৱান যাঁচিলে। চেনায়ে চেনেহীৰ খোপাত পিন্ধালে পাহাৰ বগাই অনা কপৌফুল। ইয়াৰ পাছদিনা মানুহৰ বিহু। বিহুৰ দিনা পুৱাই সকলোৱে গা-পা ধুই উঠি পিঠা-পনা খোৱাৰ উপৰি জা-জলপান গ্ৰহণ কৰে। বহাগৰ বিহুলৈ এমাহ থকাৰ পৰাই ঘৰৰ গৃহিণীয়ে জ্যেষ্ঠজনক দিবলৈ বৈ উলিওৱা বিহুৱান হিচাপে এখন ফুলাম গামোচাৰে প্ৰিয়জনৰ লগতে জ্যেষ্ঠজনক শ্ৰদ্ধা, সন্মান আৰু মৰম যাচে। প্ৰেমিকায়ো নিজৰ প্ৰেমিকলৈ বুলি গোপনে বিহুৱানখন গোপনে হ'লেও পঠিয়ায়।

আগলৈ..

# সংস্কৃতিৰ প্ৰতীকঃ বিহু

ডেকা-গাভৰুৰ মন চঞ্চল কৰি তোলে। বুকুত নতুন উদ্দীপনাৰে জীয়াই থকাৰ সাহ গোটায়। লাহে লাহে সময়ে গতি সলালে। সাম্প্ৰতিক সমাজ ব্যৱস্থাক অত্যাধুনিকতাই গ্ৰাস কৰিলে। দুৰ্বল মানসিকতাৰ কবলত পৰি বিহুৱে নিজৰ মৌলিকতা ধৰি ৰাখিবলৈ অপাৰগ হৈছে।কৃষিক কেন্দ্ৰ কৰি গঢ়ি উঠা কৃষিজীৱি লোক সকল শিল্পযুগত যন্ত্ৰলৈ পৰিবৰ্তন হ'ল। সামাজিক বৈষম্যৰ যি ডাল অঘৈয়া হুলে আমাৰ মানৱীয় প্ৰমূল্য, চেনেহৰ বান্ধোন ছিঙি পেলাইছে সেইডাল অঘৈয়া হুল আঁতৰাই পুনৰ সম্প্ৰীতিৰ বান্ধোন ঘূৰাই আনিবলৈ একাংশ সচেতন ব্যক্তিয়ে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। বিহুৰ স্বকীয় বৈশিষ্ট্য অক্ষুণ্ণ ৰাখি অপ-সংস্কৃতিৰ কঢ়াল গ্ৰাসৰ পৰা ৰক্ষা কৰাটো প্ৰতিগৰাকী নাৰীৰ কৰ্তব্য আৰু দায়িত্ব নহয় জানো!

লোকসাহিত্যত নাৰী অনন্তৰূপা। অফুৰন্ত শক্তিৰ অধিকাৰী, প্ৰকৃতিৰ সমধৰ্মী নাৰী। প্ৰকৃতিয়েই ধৰাখনক সজাই তোলে অপৰূপা কৰি। প্ৰতি বছৰে পুৰণিক বিদায় দি নতুনক আদৰণী জনায়। ধৰাৰ চালিকা শক্তি হৈছে প্ৰকৃতি। একেদৰে এখন ঘৰৰ চালিকা শক্তি হৈছে সেই ঘৰখনৰ মাতৃগৰাকী। মাতৃ হিচাপে এগৰাকী নাৰীৰ প্ৰধান কৰ্তব্য হ'ল নিজৰ সন্তানসকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি নিজৰ পৰিয়াল, সমাজ, দেশৰ, দহৰ উন্নতিৰ হকে সুযোগ্য কৰি গঢ়ি তোলা। বৰ্তমান আমাৰ বাপতিসাহোন বিহুটিত যি বিজতৰীয়া চাপ পৰিছে, সেই চাপ আঁতৰ কৰি উভালি যাব খোজা শিপাত সাৰ-পানী যোগাই সজীৱ কৰি তুলিব নোৱাৰিলে জাতিৰ অস্তিত্ব ৰক্ষাত ব্যাঘাত জন্মিব। সেয়ে আমাৰ কৃষ্টি -সংস্কৃতি ৰক্ষা কৰা আৰু উত্তৰ পুৰুষক নিজৰ সংস্কৃতিৰ প্ৰতি আগ্ৰহী কৰি তোলাত নাৰীসকলে কেইটামান বিশেষ দিশত গুৰুত্ব প্ৰদান কৰিব লাগিব।

প্ৰথমে আহে অসমীয়াৰ অতি আদৰৰ, হেঁপাহৰ বুকুৰ এফাল বিহুৱানখনিৰ কথা। গাঁৱৰ জীয়াৰী - বোৱাৰীৰ হাতৰ পৰশত প্ৰাণ পাই উঠা বিহুৱানখন এতিয়া অস্তিত্বৰ সংকটত। সেয়ে জীয়াৰী -বোৱাৰী যিসকলে পাৰে জানে তেখেত সকলে বিহুৱানখনক আন্তৰিক সন্মান জনাই নিজ হাতে তাঁতশালত বই-কাটি পৰিয়াল, আত্মীয়, মিতিৰ-কুটুমক দিবলৈ শিকক আৰু উত্তৰপুৰুষকো শিকাওক। সকলো ব্যক্তি সকলো দিশতে পাৰ্গত নহ'ব পাৰে। গতিকে যিসকলে বিভিন্ন কাৰণত নিজে প্ৰস্তুত কৰিব নোৱাৰোঁ সেই সকলে উচিত মূল্যৰ বিনিময়ত বিহুৱান খন সংগ্ৰহ কৰি সন্তানক পৰিচয় কৰাই দিয়াৰ গধুৰ দায়িত্বও নাৰী গৰাকীৰে। সেয়ে বিহুগীতত কৈছে -

'ভালকৈ সাঁচিবি জপাৰ বৰে কাপোৰ!
ভালকৈ বাছিবি ফুল
দেশকো তাৰিবি নিজকো তাৰিবি!
তাৰিবি আপোনৰ কুল।'

বিহু বুলিলেই ঢেঁকী আৰু পিঠা-পনা, জা-জলপান। পিঠাগুৰি খুন্দি বিধে বিধে সুস্বাদু পিঠা-পনা জলপান প্ৰস্তুত কৰাতো অসমীয়া নাৰী কোনো গুনে কম নহয়। প্ৰতি গৰাকী অসমীয়া নাৰীয়েই নিজহাতে পিঠা-লাডুকেইটা ঘৰতে তৈয়াৰ কৰি নিজৰ সন্তান বা আত্মীয়ক আপ্যায়ন কৰিবলৈ যত্ন কৰক। তাৰ আমেজেই সুকীয়া। বড়াচাউল -তিল-গুৰ, চিৰা, মুড়ি, আখৈ, হুৰুম, দৈ আদি প্ৰত্যেকেই স্বাস্থ্যসন্মত। কথাতে কয় বোলে 'দেহা থাকিলেহে বেহা'। সেয়ে ডাকৰ বচন " সাত বিহুত খাবা শাক পাঁচ কুৰি এক, আঁতৰিব বছৰলৈ বিয়াধিৰ লেখ"। অসমীয়া নতুন বছৰৰ আৰম্ভণি ব'হাগ বিহুৰ প্ৰথম দিনা কৃষিৰ প্ৰধান সাৰথি গৰুক সেৱা সৎকাৰ কৰি গৰু বিহু পতা হয়। গধূলিলৈ এশ এবিধ শাক খোৱাৰ পৰম্পৰা আছে আৰু ই স্বাস্থ্যসন্মত। এই থলুৱা শাক সমূহ যেনে পদিনা, মাটিকান্দুৰি, মানিমুনি, মানধনীয়া আদি বাৰী মাটি নথকা সকলে টাবতে কৰি ল'ব পাৰি। গৰু বিহুৰ দিনা নিশা জীয়াৰী বোৱাৰীয়ে দুহাত জেতুকাৰে বুলায়। জেতুকা ঔষধি গুণেৰে সমৃদ্ধ। এনে এজোপা ঔষধি উদ্ভিদৰ ঘৰতে ৰুই উদ্ভিদ সংৰক্ষণৰ অংশীদাৰ হ'ব পাৰে।

মানুহৰ বিহুৰ দিনা মাহ-হালধীৰে গা ধুই নতুন কাপোৰ নিজেও পিন্ধো আৰু আনকো উপহাৰ দিয়া হয়। বিহু বুলিলে জাতীয় সাজেপাৰ অপৰিহাৰ্য। এই ক্ষেত্ৰতো মাতৃ সকলেই সন্তানৰ সাজ-পোছাকৰ ওপৰত চকু ৰাখিব লাগিব।

বিহুত চুবুৰীয়া বা আত্মীয়ৰ ঘৰলৈ গৈ মাত এযাৰ দি জ্যেষ্ঠজনৰ আৰ্শীবাদ লোৱাৰ কথা সন্তানসকলক আৰ্হি দেখুওৱাৰ লাগে। মুঠৰ ওপৰত বিহু অসমীয়াৰ ঐতিহ্য। বিহু সংস্কৃতি মানে ৰঙালী বিহুৰ অপূৰ্ব বিহু নাচ আৰু বিহু গীতসমূহ। বিহুগীতত সেয়ে নাৰীৰ ৰূপ-যৌৱন আৰু পালনীয় কাম-কাজ আৰু আচাৰ-বিচাৰ সমূহৰো গুৰু দায়িত্ব নাৰীৰ ওপৰতে ন্যস্ত হৈ আহিছে। সেয়ে বিহু সংস্কৃতিৰ সংৰক্ষণ, সংবৰ্ধন আদিৰ বাবে সকলোৱে প্ৰচেষ্টা গ্ৰহণ কৰিলেহে অসমীয়া জাতীয় গৌৰৱ জীয়াই থাকিব।

# চেতনাৰ আৰোহিণী

নহয়। উজ্জ্বল ৰঙ ( vibrant colour) আৰু ৰূপ (form) সমূহে ভেন গঘৰ কেনভাছত যি সজীৱতা প্ৰদান কৰিছে, সেয়া মানৱ প্ৰমূল্যৰ চিৰন্তন শক্তিৰ সৈতে সম্পৰ্কিত। তেওঁৰ ভাতৃ থিওলৈ লিখা এখন চিঠিত ভেন গঘে লিখিছিল- " In a picture, I want to give something comforting as music is comforting. I want to paint men and women with that something of the eternal that the halo used to symbolise and which we seek to give by the actual radiance and vibration of our colours." বহু সমালোচকৰ মতে ভেন গঘৰ ছবিৰ উদ্দেশ্যই আছিল যাতে দৰ্শকে নিজৰ ব্যক্তিগত অভিজ্ঞতাক এই ছবিৰ বিষয়বস্তুৰ সৈতে পোনপটীয়াকৈ সম্পৰ্কিত কৰিব পাৰে। কোৱাৰ দৰকাৰ নাই যে দৰ্শকৰ ব্যক্তিগত অভিজ্ঞতা যদি কেনভাছৰ সৈতে সম্পৰ্কিত হয়, তেনেহলে শিল্পী সত্তা দৰ্শকৰ সত্তাৰ প্ৰসাৰ হে হৈ উঠে। নিজৰ আৱেগ আৰু ৰঙেৰে ভেন গঘে সৃষ্টি কৰি যোৱা সূৰ্যমুখী ফুলবোৰ, তৰা ভৰা আকাশ, ঘেঁহুৰ পথাৰ, তেওঁৰ কাণৰ বেণ্ডেজ, কোনোখনেই আধুনিক শিল্প চেতনাৰ কেন্দ্ৰীয় স্থলত নথকাকৈ থকা নাই। তেওঁৰ প্ৰতিখন বিখ্যাত ছবিয়েই দৰ্শকৰ মনত এক গভীৰ আৱেগৰ সৃষ্টি কৰে আৰু এই আৱেগঘন আলোড়নে দৰ্শকক আধুনিকতাৰ বিভিন্ন দিশ সম্পৰ্কে সচেতন কৰি তোলে। ভেন গঘৰ শিল্প কৌশল ৰজাৰ ফ্ৰাইৰ শব্দ ধাৰ কৰি কবলৈ গলে Post - Impressionist কৌশলৰ অন্তৰ্গত। মুন্খ আৰু ভেন গঘ দুয়োজনে আমাক দুখন জগতৰ সন্ধান দিছে। দুয়োখন জগত পৃথক হ'লেও অৰ্থৰ সন্ধান আৰু মানৱীয় পৰিস্থিতিৰ দিশসমূহক উন্মোচন কৰাৰ ক্ষেত্ৰত দুয়োজনা শিল্পীৰ মাজত কোনোধৰণৰ মৌলিক পাৰ্থক্য নাই। দুয়োজন শিল্পীয়ে আধুনিক আৰু সমকালীন - দুয়োটা শিল্পচেতনাক বিশেষ ভাৱে ওজন আৰু আয়তন প্ৰদান কৰিছে। শেহতীয়াকৈ ইজৰাইল আৰু হামাছৰ সংঘাতে সীমাহীন মানৱীয় যন্ত্ৰণাৰ সৃষ্টি কৰিছে। স্বাভাৱিকতে শিল্পীসকলৰ সংবেদনশীলতাক অঞ্চলটোৰ ভয়ংকৰ পৰিৱেশ, শিশু - মহিলা - পুৰুষসকলৰ মাজত চলা নিৰ্যাতন আৰু হত্যাই গভীৰভাৱে স্পৰ্শ কৰিছে। তাৰ মাজতো শিল্পীসকলে আশা এৰি দিয়া নাই ; মানৱতাক কোনোদিনে আওকাণ কৰা নাই। আৰৱিন পেনফস্কিয়ে তেওঁৰ এখন প্ৰভাৱশীল ৰচনা 'The History of Art as a Humanistic Discipline' ত মানৱতাবাদ ধাৰণাটোৰ সৈতে ওত প্ৰোত ভাৱে জড়িত দুটা দিশৰ ফালে আঙুলিয়াই দিছে। এটা হ'ল মানুহ আৰু মানুহতকৈ কম কিবা এটা। আনটো হ'ল মানুহ আৰু মানুহতকৈ বেছি কিবা এটা।

আগলৈ..

# মনৰ অনুভূতিৰ স্পন্দন

**যমুনা দুলু বৈশ্য, শুৱালকুছি**



সময়ৰ ৰৌদ্ৰস্নাতা দুপৰৰ
মেঘনামে মন বননিত ছাঁ হে
নামি আহে অনুভূতিৰ স্পন্দন।
সেই ভাললগা শব্দৰ শইচত
একেটি সুৰত গুণ গুণাবলৈ
পোহৰ অহৰহ সাগৰৰ ঢৌ।
খুন্দিয়াই ফুৰে নিতে জীৱনৰ
ভালপোৱাৰ অনুভৱৰ লহৰ
সাতোৰঙ চটিয়াই জীৱন চক্ৰ।
চাকনৈয়াৰ বন্দীত্বৰ প্ৰেম, আবেগ
মানৱতাৰ স'তে জন্মান্তৰ
আকাশ ধিয়াই বুকুতে বান্ধি লৈ ।
এদিন হেঁপাহবোৰ আশাৰ বাটে
বুকুৰ ধমনীত উশাহবোৰ
প্ৰশান্তিৰে লব বুকুতেই ঢালি।

# ডিব্ৰুগড় আৰু শোণিতপুৰত আপ

কি হ'ল ? ২০২২ চনৰ ভিতৰত সকলো ভাৰতীয়ৰ পকী ঘৰ হ'ব, কৃষকৰ আয় দুগুণ হ'ব, ছুইচ বেংকৰ পৰা ক'লাধন আনি প্ৰতিজন লোকৰ বেংক একাউণ্টত ১৫ লাখকৈ টকা সোমোৱাই দিব, প্ৰতি বছৰে ২ কোটি নিবনুৱাক কৰ্মসংস্থাপন দিব, অসমৰ পৰা বিদেশীয়ে টালি-টোপোলা বান্ধি যাব লাগিব বুলি কোৱা বিজেপিয়ে ২০২৪ তো এটাও প্ৰতিশ্ৰুতি পালন কৰিব নোৱাৰিলে। ভাৰতক ছুপাৰ পাৱাৰ কৰাৰ প্ৰতি।এতিৰে শাসনলৈ অহা বিজেপিয়ে এইবাৰ ২০৪৭ চনতহে ভাৰতক ছুপাৰ পাৱাৰ কৰিব বুলি ক'বলৈ ধৰিছে। অকৰ্মণ্য, অদক্ষ বিজেপিয়ে এনেকৈ লক্ষ্যবৰ্ষ পিচুৱাই লৈ যোৱাৰ কাৰণ দেশবাসীয়ে বুজি পাইছে বুলি মন্তব্য কৰি ডাঃ চৌধুৰীয়ে কয় যে এই নিৰ্বাচনত বিজেপিক দেশৰ জনতাই উৎখাত কৰিব। এই সংবাদমেলত আপ অসমৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক তথা মুখপাত্ৰ হেমন্ত ফুকন আৰু ৰাজ্যিক মিডিয়া সমন্বয়ক জয়ন্ত কুমাৰ কলিতাও উপস্থিত থাকে।

# কা বিৰোধী সমন্বয় সমিতি

মজুমদাৰ, কৃষক মুক্তিৰ সুব্ৰত চক্ৰৱৰ্তী, পৰেশ বৰুৱা, বিবেক দাস আদি কেইবাজনো বিশিষ্ট ব্যক্তিৰ উপস্থিতিত তেওঁলোকে সংবাদ মাধ্যমৰ আগত কয় যে বৰ্তমান শাসনাধিষ্ট এই বিজেপি চৰকাৰে অসমৰ আঠ খন বিশ্ববিদ্যালয়ত বাহিৰৰ লোকক যাৰ থলুৱা সংস্কৃতিৰ বিষয়ত সম্যক জ্ঞান কোনো নাই, উপাচাৰ্য ৰূপে নিযুক্তি দি অসমীয়া ভাষা সংস্কৃতি আৰু অসমীয়া জাতিটোক নিঃশেষ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। ডঃ হীৰেন গোহাঁই কয় যে যোৱা দুমাহ মান আগত ৰাহুল গান্ধী অসমলৈ অহাত তেওঁক আইন শৃংখলা জনিত কাৰণত গুৱাহাটীত ৰেলী কৰিব দিয়া নাছিল। কিন্তু এতিয়া মোদীয়ে কেনেকৈ ৰেলী কৰিব পৰা হ'ল ? আইন শৃংখলা কি অকল তেওঁলোকৰ কাৰণেহে নেকি ? তেওঁ আৰু কয় বেংকত গৈ অসমীয়া ভাষা কব পৰা এজন কৰ্মচাৰী পাবলৈ নাই। অকল টকা জমা থোৱা আৰু উলিওৱা টোৰেটো কাম নহয়। কেতিয়াবা কিবা কথাও পাতিব লগা থাকে। অসমৰ ৰাইজক বিজেপি চৰকাৰৰ স্বৈৰাচাৰি শাসনৰ বিষয়ে আকৌ এবাৰ গভীৰভাৱে ভাবি চাবলৈ আহ্বান জনায়।

# শিক্ষাবিদ ডঃ অশোক কুমাৰ গোস্বামী

তথা সমাজৰ উন্নতি কল্পে অহৰহ কাম কৰাত সিদ্ধহস্ত । জ্ঞান তপস্বী অসম মুলুকৰ বটবৃক্ষ স্বৰূপ।" অনুষ্ঠানত অংশ লৈ বামুণীমৈদান শাখা লেখিকা সংস্থাৰ সম্পাদিকা তথা ছেবাৰ কৰ্মচাৰী পুতুলী ঠাকুৰীয়া মেধিয়ে কয়- "ঈৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী ডঃ গোস্বামী চাৰ। চাৰৰ সৎ চিন্তা-ভাৱনা, নিয়মানুবৰ্তিতা, শিষ্টাচাৰে সকলোকে সন্মোহিত কৰে।" পৰাগজ্যোতি প্ৰকাশনৰ সচিব তথা সাংবাদিক দীপক শৰ্মাই কয়- "প্ৰজ্ঞাৰ সাধক ডঃ গোস্বামী চাৰ নিজৰ স্ব-প্ৰতিভাৰে দেশ - বিদেশত জ্যোতিষ্কৰ দৰে জিলিকি আছে । বিশ্বজনীন চিন্তা, বৌদ্ধিক নিষ্ঠাৰে সমাজৰ সকলো স্তৰৰ লোকক আকৰ্ষিত কৰে। ন-প্ৰজন্মই ডঃ অশোক কুমাৰ গোস্বামীৰ চিন্তাৰ পৰা বহু শিকিবলগীয়া আছে।" অনুষ্ঠানত ডঃ গোস্বামীৰ পত্নী গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা বীণা দেৱী গোস্বামী, জী দৰ্শনা গোস্বামী ডেকা আদি উপস্থিত আছিল।

# বিশাল গণসমাৱেশৰে কোকৰাঝাৰ

ৰাজ্যিক সভাপতি ৰিপুণ বৰাই কয় যে, "ৰাইজে এতিয়া পৰিবৰ্তনতকৈ বেছি পৰিত্ৰাণ বিচাৰিছে। ৰাইজক বিকল্প লাগে আৰু তৃণমূল কংগ্ৰেছ বৰ্তমান সময়ত আটাইতকৈ শক্তিশালী বিকল্প। ৰাইজে তৃণমূল কংগ্ৰেছক শক্তিশালী বিকল্পৰূপে আদৰি লৈছে, যাৰ বাবে মনোনয়ন পত্ৰ দাখিল কাৰ্য্যসূচীতেই হাজাৰ হাজাৰ ৰাইজ একত্ৰিত হৈ ওলাই আহিছে। আজি ৰাইজ ওলাই আহিছে পৰিবৰ্তনৰ স্বাৰ্থত, নিজৰ ভবিষ্যত আৰু দেশৰ ভবিষ্যত সুৰক্ষাৰ স্বাৰ্থত। ৰাইজৰ সমৰ্থন আৰু বিশ্বাস আমাৰ বাবে তথা তৃণমূল কংগ্ৰেছৰ প্ৰত্যেক প্ৰাৰ্থীৰ বাবে সকলোৰে উৰ্দ্ধত। ৰাইজৰ বিকাশৰ বাবে, সৰ্বাংগীন উন্নয়নৰ বাবে তৃণমূল কংগ্ৰেছ সদায় বদ্ধপৰিকৰ। আমাৰ বিশ্বাস এই লোকসভা নিৰ্বাচনত ৰাইজে স্বৈৰাচাৰী শাসকক উচিত প্ৰত্যুত্তৰ দিব আৰু তৃণমূল কংগ্ৰেছৰ আটাইকেইগৰাকী প্ৰাৰ্থীক নিজৰ বহুমূলীয়া ভোট প্ৰদান কৰি জয়ী কৰি এক শক্তিশালী বিকল্প হিচাপে বাছি ল'ব।"

# ঘোষণা হ'ল মেট্ৰিক পৰীক্ষাৰ ফলাফল

শিশু বিদ্যা নিকেতনৰ ঝৰ্ণা শইকীয়াই। ৫৮৮ নম্বৰ লাভেৰে তৃতীয় স্থান দখল কৰিছে মাজুলীৰ কমলাবাৰীৰ আইলেগু একাডেমীৰ মানস প্ৰতিম শইকীয়াই। ৫৮৮ নম্বৰ লাভেৰে তৃতীয় স্থানত আছে বৰপেটাৰ সৰুপেটাৰ ষ্টেলা মেৰিজ স্কুলৰ বেদান্ত চৌধুৰী। ৫৮৮ নম্বৰ লাভেৰে তৃতীয় স্থানত আছে নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ দেৱশ্ৰী কাশ্যপ। উল্লেখ্য যে, ১৬ ফেব্ৰুৱাৰীৰ পৰা ৪ মাৰ্চলৈ অনুষ্ঠিত হৈছিল হাইস্কুল শিক্ষান্ত পৰীক্ষা। এইবাৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল ৪,১৯,০৭৮ গৰাকী ছাত্ৰ-ছাত্ৰী। ইয়াৰে উত্তীৰ্ণ হৈছে ৩,১৭,৩১৭ গৰাকী ছাত্ৰ-ছাত্ৰী। ইয়াৰ ভিতৰত ছাত্ৰৰ সংখ্যা আছিল ১,৮৭,৯০৪ গৰাকী, ছাত্ৰীৰ সংখ্যা আছিল ২,৩১,১৬৪ গৰাকী আৰু তৃতীয় লিংগৰ আছিল ১০ গৰাকী। ফলাফল অনুসৰি এইবাৰ মুঠ ৭৫.৭ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে মেট্ৰিক পৰীক্ষাত। ইয়াৰ ভিতৰত ল'ৰাৰ উত্তীৰ্ণৰ হাৰ ৭৭.৩ শতাংশ আৰু ছোৱালীৰ উত্তীৰ্ণৰ হাৰ ৭৪.৪ শতাংশ। আনহাতে, তৃতীয় লিংগৰ উত্তীৰ্ণৰ হাৰ ৮০ শতাংশ। ফলাফল অনুসৰি, এইবাৰ ডিষ্টিংচন পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৬, ৩৯২ গৰাকী, ষ্টাৰ নম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২০,৫৫২ গৰাকী, প্ৰথম বিভাগত উত্তীৰ্ণ শিক্ষাৰ্থীৰ সংখ্যা ১,০৫,৮৭৩ গৰাকী, দ্বিতীয় বিভাগত উত্তীৰ্ণ শিক্ষাৰ্থীৰ সংখ্যা ১,৫০,৭৬৪ গৰাকী আৰু তৃতীয় বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৬০,৬৮০ গৰাকী। মুঠ লেটাৰ মাৰ্ক পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হৈছে ১,৯৩,১৫৯ গৰাকী। সমাজ বিজ্ঞান ৩৬,৯৭৩ গৰাকী শিক্ষাৰ্থীয়ে লাভ কৰিছে সৰ্বোচ্চ নম্বৰ।

# কেমেৰাৰ সন্মুখতে ধন

নিৰ্বাচন আয়োগে কঠোৰতম সিদ্ধান্ত গ্ৰহণ কৰি গগৈৰ প্ৰাৰ্থিত্ব নাকচ কৰে। বিজেপিয়ে ইটোৰ পিছত সিটো নিৰ্বাচনী আচৰণ বিধি ভংগ কৰা দেখিও কিয় আয়োগে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰা নাই বুলি প্ৰশ্ন কৰে আম আদমি পাৰ্টীয়ে। বিজেপিয়ে প্ৰচাৰ চলোৱাৰ দৰে তেওঁলোকে যদিহে যোৱা দহ বছৰত জনতাৰ ভালৰ বাবে কাম কৰিছেই, তেন্তে কিয় এনেদৰে ৰাইজৰ মাজত টকা বিলাবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে? কিয় ভুৱা অৰুণোদয়ৰ প-পত্ৰ বিতৰণ কৰিবলগীয়া হৈছে? কিয় ভুৱা প্ৰধানমন্ত্ৰীৰ বীমা আঁচনিৰ প-পত্ৰ বিতৰণ কৰিবলগীয়া হৈছে? আম আদমি পাৰ্টীয়ে এটা কথাই কয়, যদি আমি কাম কৰিছোঁ আমাক ভোট দিয়ক। এনেদৰে কিয় ক'ব নোৱাৰে বিশ্বৰ সৰ্ববৃহৎ দল বুলি দাবী কৰা বিজেপিয়ে? বিজেপিয়ে আম আদমি পাৰ্টীৰ পৰা এটা শব্দ চুৰি কৰিছে। 'গেৰাণ্টী' শব্দটো। ভাৰতীয় ৰাজনীতিত আম আদমি পাৰ্টী একমাত্ৰ দল যি দলে ভোটাৰক গেৰাণ্টী দি সেইবোৰ বাস্তৱত কৰি দেখুৱাইছে। বিনামূলীয়া বিজুলী, বিনামূলীয়া স্বাস্থ্যসেৱা, বিনামূলীয়া বিশ্ব মানৰ শিক্ষা, মহিলাৰ বাবে বিনামূলীয়া বাছসেৱা, এইবোৰ আম আদমি পাৰ্টীৰ গেৰাণ্টী আৰু এইবোৰ দিল্লী আৰু পঞ্জাবৰ আপ চৰকাৰে কাৰ্যকৰী কৰি দেখুৱাইছে। আপৰ এই গেৰাণ্টী শব্দটো এইবাৰ মোডী ডাঙৰীয়াই চুৰি কৰিলে। কিন্তু তেওঁ ২০১৪ আৰু ২০১৯ ত দিয়া প্ৰতিশ্ৰুতিসমূহৰ কেইটা ৰূপায়ণ কৰিলে? বছৰি ২ কোটি চাকৰি দিলেনে? কৃষকৰ আয় দুগুণ হ'লনে? সকলোৰে পকী ঘৰ পালেনে? ভাৰত ছুপাৰ পাৱাৰ হ'লনে? গতিকে বিজেপিয়ে যি শব্দই ব্যৱহাৰ নকৰক, দলটোৰে সদায় ৰাইজক আভুৱা ভাঁৰে। সংবাদমেলত উপস্থিত থাকে ৰাজ্যিক কাৰ্যনিৰ্বাহক মানস শৰ্মাও।

# ধৰ্মীয় মেৰুকৰণত

মন্ত্ৰীয়ে অসমত তীব্ৰ মুছলমান বিদ্বেষ বিয়পোৱাত লাগিছে। তাৰোপৰি ৱাকফ আইন ১৯৯৫ খনো বিলোপ কৰিবলৈ মোদী চৰকাৰে ষড়যন্ত্ৰ চলাই আছে। আনকি ৰাজ্য সভাত সদস্যৰ জৰিয়তে ব্যক্তিগত বিল গ্ৰহণ কৰিছে। ৱাকফ বৰ্ডৰ Rule frame পৰ্যন্ত আজিলৈকে কৰা নহ'ল। তেওঁলোকে আৰু কয় যে, চৰকাৰে বিগত সময়ছোৱাত অসমত সাম্প্ৰদায়িকতাক চৰকাৰীভাৱে পৃষ্ঠপোষকতা কৰাৰ পিছতো অসমৰ সাধাৰণ মানুহ প্ৰৰোচিত হোৱা নাই। ধৰ্মীয় মেৰু কৰণত এই চৰকাৰ ব্যৰ্থ হৈছে। ইয়াৰ বাবে তেওঁলোকে অসমৰ জাতীয় সংগঠন আৰু সমূহ জনসাধাৰণক ধন্যবাদ জনাই। তেওঁলোকে ৰাজনৈতিক উচ্চাকাংখা পোষণ কৰা মুছলমান দৰদি দল আৰু নেতাৰ ব্যক্তিগত, সংকীৰ্ণ স্বাৰ্থ পূৰণৰ কামবোৰ লক্ষ্য কৰি আহিছে। অসমৰ সকলো স্তৰৰ মুছলমানে সংকীৰ্ণতা, অসহিষ্ণুতাৰ উৰ্ধত উঠি অসমৰ সচেতন, উদাৰ, গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ আৰু প্ৰগতিশীল জনসাধাৰণৰ লগত ঐক্যভাৱে সংখ্যাগুৰু-সংখ্যালঘু সাম্প্ৰদায়িক আৰু মৌলবাদী কাৰ্যকলাপৰ বিৰুদ্ধে ৰাইজক ভোটদান কৰিবলৈ কয়। তেওঁলোকে পুনৰ গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ দলক জয়যুক্ত কৰিবলৈ আহ্বান জনায়। এই সংবাদ মেলত খিলঞ্জীয়া অসমীয়া মুছলমান উন্নয়ন পৰিষদৰ সভাপতি ডঃ পইনুৰুদ্দিন আহমেদ, অসম চিভিল ছছাইটিৰ কাৰ্যকৰী সভাপতি প্ৰাক্তন অধ্যাপক আব্দুল মান্নান, বাঘ হাজৰিকা জাগৰণ মঞ্চৰ সম্পাদক জাৰিদ হুছেইনকে আদি কৰি কেইবাজনো লোক উপস্থিত থাকে।

# কংগ্ৰেছ নেতা ৰাহুল

প্ৰধানমন্ত্ৰীগৰাকীয়ে এই কথাও উল্লেখ কৰে যে প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পাছত এনডিএৰ পক্ষত একপক্ষীয় ভোটদান হোৱাৰ ইংগিত পোৱা গৈছে। ইফালে, কংগ্ৰেছ নেত্ৰী তথা ৰাহুলৰ মাতৃ ছোনিয়া গান্ধীৰ প্ৰসংগ টানি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে নেত্ৰীগৰাকীয়ে লোকসভা এৰি ৰাজ্যসভালৈ যাবলগীয়া হৈছে। ইয়াৰ মূল কাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সাহস কংগ্ৰেছৰ নেতা-নেত্ৰীসকলৰ নোহোৱা হৈ পৰা বুলি মন্তব্য কৰে প্ৰধানমন্ত্ৰীগৰাকীয়ে। প্ৰথমবাৰৰ বাবে গান্ধী পৰিয়ালে কংগ্ৰেছ প্ৰাৰ্থীক নিজৰ সমষ্টিত ভোটদান নকৰে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী গৰাকীয়ে কয় যে কাৰণ তেওঁলোকৰ সমষ্টিত এইবাৰ কংগ্ৰেছে প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ সাহস কৰা নাই। ইফালে, নিজে ১০ বছৰ ধৰি প্ৰধানমন্ত্ৰীৰ আসনত থাকি কংগ্ৰেছৰ অপশাসনৰ সময়ত পোৱা কু-ফলবোৰ আঁতৰ কৰিবলগীয়া হৈছে বুলিও মোদীয়ে মন্তব্য কৰে। স্বভাৱ সুলভ ভাৱে প্ৰধানমন্ত্ৰীগৰাকীয়ে কংগ্ৰেছ দল কৃষক- দুখীয়া জনসাধাৰণৰ উন্নয়নৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ বুলিও মন্তব্য কৰে। কংগ্ৰেছৰ নীতিৰ বাবে দেশত কৃষি সংকট হৈছিল বুলিও উল্লেখ কৰে মোদীয়ে।

## ENGLISH NEWS SECTION

# Assam Governor interacts with IAS and ACS probationers



Guwahati, RB News - Assam Governor Shri Gulab Chand Kataria interacted with a group of IAS and ACS probationary officers at Raj Bhavan and asked them to imbibe the 'spirit of public service' to serve the people and the society in the Amrit Kaal. The Governor said that in a welfare society like India, the taxes paid by the citizens help the country to create infrastructure. Right from schools to hospitals, everything is constructed with the tax payers' money. Therefore, public servants have the responsibility towards the people of the society. He asked them to be dedicated to the cause of the public and render their services to strengthen the edifice of welfare society. He also asked them to contribute to the country's journey of becoming developed nation. The Governor moreover said that the parents and teachers of the officers have shed their sweats to raise them to the position they in at present. Therefore, they have duty towards them as well. He also asked the officers to remember their cooperation and act accordingly for the betterment of the society and every individual of the society.

# Raj Bhavan celebrates Rongali Bihu



Guwahati, RB News - Synchronizing with the ongoing Rongali Bihu celebrations across the state, Raj Bhavan, Assam today celebrated the Rongali Bihu in presence of Governor Shri Gulab Chand Kataria at its premises in Raj Bhavan here. The lively 'bihu husori' coupled with enthralling rhythm of dhol, pepa and gagana by the Bihua Bihuwati and other participants was the attraction of the programme. Speaking on the occasion, Shri Kataria said, "I am really happy that a healthy tradition of celebrating Rongali Bihu festival has started in Raj Bhavan, Assam. I believe this celebration of bihu will help us to witness the rich culture of Assam and how it helps in strengthening the bond of belongingness among the employees and their family members. Apart from this, we will be able to make our children aware of the rich art, culture and heritage of our state." Shri Kataria also said that Rongali Bihu is a traditional and cultural festival filled with abundance of happiness and love that marks the arrival of the Assamese new year. It instills new hope and energy in the minds of people of all ages and provides an opportunity to express gratitude towards the magnanimity of nature.

# CSK Devon Conway ruled out of IPL 2024



RB News- Devon Conway, the New Zealand cricketer for CSK, has been sidelined for the remainder of the IPL season due to injury. Despite uncertainty surrounding his participation, Conway missed the initial six games for CSK. Now, it's confirmed he won't feature in any matches this season. In his absence, CSK has enlisted Richard Gleeson, an experienced English pacer, as his replacement.

# Odisha FC beat Kerala Blasters to seal first semi-final



RB News - Odisha FC qualified for the semi-final of the Indian Super League (ISL) 2023-24 by beating Kerala Blasters FC by 2-1 at the Kalinga Stadium in Bhubaneswar tonight. Accordingly, the Juggernauts have won their first-ever ISL playoffs game, and thus made it to the semi-final for the first time in the competition's history. They will now be competing against the Mohun Bagan Super Giant across two legs in the last-four clash for a place in the ISL final.



# Deepak Punia, Sujeet not allowed at Asian Olympic Qualifier

RB News- Indian wrestlers Deepak Punia (86kg), Sujeet Kalkal's search for 2024 Paris Olympics quota places met with a big blow as the duo were not allowed to compete at the Asian Olympic Qualifiers on Friday in Bishkek, Kyrgyzstan. Sujeet (65kg) and Deepak were stranded at the Dubai International Airport since Tuesday after the desert city was flooded due to torrential rain.

# ED attaches 97.79 crore properties of Raj Kundra



RB News- Enforcement Directorate (ED), Mumbai Zonal Office provisionally attaches properties worth Rs. 97.79 Crore belonging to Raj Kundra under PMLA provisions. The investigation stems from FIRS against alleged Ponzi scheme operators. Kundra received 285 Bitcoins, now valued at over Rs. 150 Crore, from Ponzi mastermind. Three arrested, main accused still at large. ED pursues financial crime diligently.

# মুম্বাই ইণ্ডিয়ানছৰ হাতত পৰাস্ত পঞ্জাব কিংছ



ৰঙিলী বাৰ্ত্তাসেৱা- মুলানপুৰত অনুষ্ঠিত ৰোমাঞ্চকৰ মেচখনত মুম্বাই ইণ্ডিয়ানছে পঞ্জাব কিংছক ৯ ৰানত পৰাস্ত কৰে। মেচখনত মুম্বায়ে জয়ৰ বাবে বান্ধি দিয়া ১৯৩ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি আশুতোষ শৰ্মাৰ বিস্ফোৰক অৰ্ধশতক সত্ত্বেও পঞ্জাব কিংছে ১৯.১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৮৩ ৰানহে কৰিবলৈ সক্ষম হয়। দলীয় স্ক’ৰ ৭৭ ৰানতে ৬ টাকৈ উইকেট হেৰুৱাই দলটোৱে বিপদত পৰিছিল যদিও শশাংক সিং আৰু আশুতোষ শৰ্মাই সপ্তম উইকেটত ৩৪ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় ৰোধ কৰে। শশাংকই ২৫ টা বলত দুটা চাৰি আৰু তিনিটা ছয়েৰে ৪১ ৰানৰ অৱিহণা আগবঢ়ায়। শশাংক আউট হোৱাৰ পিছত আশুতোষে হৰপ্ৰীত ব্ৰাৰৰ সৈতে লগ লাগি অষ্টম উইকেটত ৫৭ ৰান সংগ্ৰহ কৰি দলৰ জয়ৰ পথ সুগম কৰি তুলিছিল যদিও আশুতোষে ৬১ ৰানত বিদায় লোৱাত দলটো পৰাজয়ৰ সন্মুখীন হয়। হৰপ্ৰীতে ২১ ৰানৰ অৱদান আগবঢ়ায়। মুম্বাই ইণ্ডিয়ানছৰ হৈ জেৰাল্ড ক’টজী আৰু যশপ্ৰীত বুমৰাহ উভয়ে তিনিটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি মুম্বাই ইণ্ডিয়ানছে প্ৰাৰম্ভিক বিপৰ্যয় সত্ত্বেও সূৰ্যকুমাৰ যাদৱৰ বিস্ফোৰক অৰ্ধশতকৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৯২ ৰান সংগ্ৰহ কৰে। দলীয় স্ক’ৰ ১৮ ৰানতে ঈশান কিশনক হেৰুৱাই দলটোৱে। ঈশানে মাত্ৰ ৮ ৰানহে কৰে। ৰোহিত শৰ্মা আৰু সূৰ্যকুমাৰ যাদৱৰ বেটিঙেৰে দ্বিতীয় উইকেটত ৮১ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় ৰোধ কৰে। ৰোহিত শৰ্মাই ২৫ টা বলত দুটা চাৰি আৰু তিনিটা ছয়েৰে ৩৬ ৰান কৰি বিদায় লয় যদিও সূৰ্যকুমাৰে ৭৮ ৰানৰ বিস্ফোৰক ইনিংছ খেলে।

# গুজৰাট টাইটানছক ৬ উইকেটত পৰাস্ত কৰে দিল্লী কেপিটেলছে

ৰঙিলী বাৰ্ত্তাসেৱা-আহমেদাবাদত দিল্লী কেপিটেলছৰ বিপক্ষে খেলা মেচখনত মাত্ৰ ৮৯ ৰানতে ইনিংছ সামৰে গুজৰাটে। এয়া আইপিএলৰ ইতিহাসত গুজৰাট টাইটানছৰ সৰ্বনিম্ন স্ক’ৰ। ইয়াৰ পূৰ্বে আইপিএলত গুজৰাটৰ সৰ্বনিম্ন স্ক’ৰ আছিল ১২৫ ৰান। আইপিএলৰ মেচখনত গুজৰাটে জয়ৰ বাবে বান্ধি দিয়া ৯০ ৰানৰ লক্ষ্য ৫৩ টা বলতে অতিক্ৰম কৰে দিল্লী কেপিটেলছে। ল’ স্ক’ৰিং মেচখনত দিল্লীয়ে গুজৰাট টাইটানছক ৬ উইকেটত পৰাস্ত কৰে আৰু পইণ্ট তালিকাৰ ষষ্ঠ স্থানলৈ উন্নীত হয়। দিল্লী কেপিটেলছে এতিয়ালৈকে ৭খন মেচ খেলি তিনিখনত জয় আৰু চাৰিখনত পৰাস্ত হৈ মুঠ ৬ পইণ্টেৰে ষষ্ঠ স্থান অধিকাৰ কৰিছে। ইয়াৰ বিপৰীতে গুজৰাটে সমসংখ্যক মেচ খেলি তিনিখনত জয় আৰু চাৰিখনত পৰাস্ত হৈ ৬ পইন্টেৰে সপ্তম স্থানলৈ অৱনমিত হয়। মেচখনত গুজৰাট টাইটানছে জয়ৰ বাবে বান্ধি দিয়া ৯০ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি জেক ফ্ৰেজাৰ-মেকগাৰ্কৰ সৰ্বাধিক ২০ ৰানৰ সহায়ত দিল্লীয়ে ৮.৫ অভাৰত চাৰিটা উইকেট হেৰুৱাই খেলখনত জয়লাভ কৰে। ছাই হ’পে ১৯, অধিনায়ক ঋষভ পন্টে অপৰাজিত ১৬, অভিষেক প’ৰেলে ১৫ ৰানৰ অৱিহণা আগবঢ়ায়। অ’পেনাৰ পৃথ্বী শ্বহ ৭ ৰান কৰি পেভিলিয়নমুখী হয়। সুমিত কুমাৰে ৯ ৰান কৰি অপৰাজিত হৈ থাকে। গুজৰাটৰ হৈ সন্দীপ ৱাৰিঅ’ৰে সৰ্বাধিক দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে দিল্লীৰ আমন্ত্ৰণক্ৰমে প্ৰথমে বেটিং কৰিবলৈ আহি মুকেশ কুমাৰৰ বিধ্বংসী বলিঙৰ সন্মুখত বেটিং বিপৰ্যয় হৈ গুজৰাট টাইটানছে ১৭.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৮৯ ৰানহে কৰিবলৈ সক্ষম হয়। ৰছিদ খানে সৰ্বাধিক ৩১ ৰান কৰাৰ লগতে ছাই সুদৰ্শনে ১২ আৰু ৰাহুল টেৱাটিয়াই ১০ ৰান কৰে। অধিনায়ক গিলে মাত্ৰ ৮ ৰান কৰে। দিল্লীৰ হৈ মুকেশ কুমাৰে ১৪ ৰানত তিনিটা উইকেট লাভ কৰাৰ লগতে ঈশান শৰ্মাই ৮ ৰানত দুটা, ত্ৰিষ্টান ষ্টুবছে ১১ ৰানত দুটা, অক্ষৰ পেটেল আৰু খলিল আহমেদে এটাকৈ উইকেট লাভ কৰে।



# এক নতুন কৃতিত্বৰ অধিকাৰী হ’ল মহেন্দ্ৰ সিং ধোনী



ৰঙিলী বাৰ্ত্তাসেৱা- আইপিএলত নতুন মাইলৰ খুঁটি স্পৰ্শ কৰিলে চেন্নাই ছুপাৰ কিংছৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনীয়ে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অনুষ্ঠিত মেচখনত ৯ টা বলত ২৮ ৰান সংগ্ৰহ কৰে। ৪২ বছৰীয়া উইকেটকীপাৰ- বেটাৰগৰাকীয়ে এই ইনিংছত এক নতুন কৃতিত্ব অৰ্জন কৰে। আইপিএলত ৫০০০ ৰান সম্পূৰ্ণ কৰিলে ধোনীয়ে। আইপিএলৰ প্ৰথমজন উইকেটকীপাৰ হিচাপে এই কৃতিত্ব অৰ্জন কৰে ধোনীয়ে। লক্ষ্ণৌত অনুষ্ঠিত মেচখনৰ অন্তিমটো অভাৰত মাৰমুখী বেটিঙেৰে ধোনীয়ে ১৯ ৰান সংগ্ৰহ কৰে। মন কৰিবলগীয়া যে আইপিএলৰ ইতিহাসত অন্তিম অভাৰত ধোনীয়ে ৩ৰটা বল খেলি ৭৭২ ৰান সংগ্ৰহ কৰিছে। উইকেটকীপাৰ- বেটাৰগৰাকীয়ে ৫৩ টা বাউণ্ডেৰী আৰু ৬৫টা অভাৰ বাউণ্ডেৰী, কোবাইছে। চি এছকে ৰ প্ৰাক্তন অধিনায়কগৰাকীৰ ষ্ট্ৰাইক ৰেট হ’ল ২৫৫.৮৮। ইফালে চলিত ছিজনৰ আইপিএলত ধোনীয়ে ৫ ইনিংছত ৮৭ ৰান সংগ্ৰহ কৰিছে।

# ইউৰোপা লীগৰ ছেমিফাইনেলত প্ৰৱেশত ব্যৰ্থ লিভাৰপুল



ৰঙিলী বাৰ্ত্তাসেৱা- ছেমিফাইনেলত প্ৰৱেশত ব্যৰ্থ হৈছে লিভাৰপুল। প্ৰতিযোগিতাখনৰ কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচখনত আটলাণ্টাৰ বিপক্ষে জয়লাভ কৰিও ছেমি ফাইনেলত স্থান সুৰক্ষিত কৰিবলৈ সক্ষম নহ’ল জুৰগেন ক্লু’পৰ দলটোৱে। ইটালীৰ বেৰগামত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচখনত লিভাৰপুলে ১-০ গ’লত জয়লাভ কৰে যদিও সামগ্ৰিকভাৱে ৩-১ ৰ অগ্ৰগতিৰে আটলাণ্টাই ছেমিফাইনেললৈ উন্নীত হয়। প্ৰথম লেগৰ মেচখনত আটলাণ্টাই লিভাৰপুলক ৩- ০ গ’লত পৰাস্ত কৰিছিল। মেচখনৰ সাত মিনিটত লিভাৰ পুলৰ হৈ গ’লটো স্ক’ৰ কৰে তাৰকা খেলুৱৈ মহম্মদ ছালাহে। পৰৱৰ্তী সময়ত লিভাৰপুলে গ’ল স্ক’ৰ কৰাৰ আপ্ৰাণ চেষ্টা চলাইছিল যদিও গ’ল কৰাত ব্যৰ্থ হয়। ইফালে ৰোমাই মিলানক সামগ্ৰিকভাৱে ৩-১ গ’লত পৰাস্ত কৰি প্ৰতিযোগিতাখনৰ ছেমিত স্থান নিশ্চিত কৰে। বৃহস্পতিবাৰে নিশা ৰোমত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচখনত ৰোমাই মিলানক ২-১ গ’লত পৰাস্ত কৰে।

## Beauty of the Week



ধ্যানা ডেকা, বোকাখাত

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286